


সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২১ মার্চ, ২০২৫/৭ চ'ত ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ
● সংখ্যা - ৪৮ ● Vol - 13, Issue - 48

## মুখ্যমন্ত্ৰীৰ উপস্থিতিত লাচিত বৰফুকন পুলিচ একাডেমীৰ শুভ উদ্বোধন কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে

### এখন পুলিচ মেডিকেল কলেজ স্থাপনৰ চিন্তা-চৰ্চা কৰিছে ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী







**দিছপুৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত দেৰগাঁৱত উন্নত প্ৰশিক্ষণ ব্যৱস্থা আৰু প্ৰযুক্তিৰ সমাহাৰেৰে অত্যাধুনিকভাৱে নিৰ্মাণ কৰা লাচিত বৰফুকন পুলিচ একাডেমীৰ শুভ উদ্বোধন কৰে। আনহাতে, কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই পুলিচ একাডেমীৰ আৱাসগৃহ নিৰ্মাণ প্ৰকল্পৰো শিলান্যাস কৰে। উল্লেখ্য যে, লাচিত বৰফুকন পুলিচ একাডেমীৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ১,০২৪ কোটি টকাৰ প্ৰকল্প গ্ৰহণ কৰিছে। সৰ্বমুঠ ১,০২২ বিঘা ভূমি সামৰি ৰূপায়ণ কৰা এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ত স্মাৰ্ট শ্ৰেণীকোঠা থকা পাঁচ মহলীয়া ভৱন নিৰ্মাণ কৰা হৈছে। প্ৰায় ১৬৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা আৰু উদ্বোধন কৰা এই ভৱনত অস্ত্ৰ ছিমুলেটৰ, পুথিভঁড়াল, কম্পিউটাৰ লেব, গৱেষণা লেব, আলোচনাচক্ৰ কক্ষ, প্ৰশাসনিক কাৰ্যালয় আদি সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি এই প্ৰতিষ্ঠানখনৰ ইতিহাস ধৰি ৰাখিব পৰাকৈ এটা সংগ্ৰহালয়ৰ লগতে এখন আধুনিক পেৰেড গ্ৰাউণ্ডো নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ত একাডেমীৰ আৱাসগৃহ নিৰ্মাণৰ বাবে ধাৰ্য কৰা আনুমানিক পুঁজিৰ পৰিমান হৈছে ৪২৫ কোটি টকা। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে শিলান্যাস কৰা এই প্ৰকল্পৰ অন্তৰ্গত ২৪০ টা পৰিয়ালৰ বাবে আৱাসিক কোৱাৰ্টাৰ, ৩১২ জন বিষয়া-কৰ্মীৰ বাবে আৱাসিক হোষ্টেল আৰু ২৬৪০ জন প্ৰশিক্ষাৰ্থীৰ বাবে আৱাসিক হোষ্টেল নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লাচিত বৰফুকনৰ নামত অসমত পূৰ্বে এনে বৃহৎ প্ৰতিষ্ঠান গঢ় লৈ উঠা নাছিল। মহাবীৰগৰাকীৰ জন্মৰ ৪০০ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে লাচিত বৰফুকনৰ নামত এনে এটা প্ৰতিষ্ঠান ৰাজ্য চৰকাৰে গঢ়ি তুলিবলৈ *১০ পৃষ্ঠাত*


## শিলচৰৰ এছ এম দেৱ অসামৰিক চিকিৎসালয়ত নতুন ক্ৰিটিকেল কেয়াৰ ব্লকৰ লগতে আভাষীয়ভাৱে শিলচৰ আৱৰ্ত ভৱনৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিলচৰৰ এছ এম দেৱ অসামৰিক চিকিৎসালয়ত নতুন ক্ৰিটিকেল কেয়াৰ ব্লক নিৰ্মাণৰ শিলান্যাস কৰে। এই অনুষ্ঠানতে ড° শৰ্মাই আভাষীয়ভাৱে শিলচৰ আৱৰ্ত ভৱন নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে এছ এম দেৱ অসামৰিক চিকিৎসালয়খনত ৫০ খন বিচনাযুক্ত নতুন ক্ৰিটিকেল কেয়াৰ ব্লক ৬৩৩৫ বৰ্গমিটাৰ এলেকা সামৰি নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। জি প্লাছ ৪ এই ভৱনৰ তলৰ মহলাত অপেক্ষা কৰা ঠাই, আৰক্ষী চকী, অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয় আৰু মৰ্গ, প্ৰথম মহলাত আইছ'লেচন ৱাৰ্ড আৰু ৱেইটিং লাউঞ্জ, দ্বিতীয় মহলাত এমচিএইচ ৱাৰ্ডত এলডিআৰ ইউনিট, অ'টি আৰু ডায়েলাইছিছ ৰূম, তৃতীয় মহলাত থাকিব অপাৰেচন থিয়েটাৰ, থেৰাপিউটিক ডায়েট ৰূম আৰু ভৱনৰ চতুৰ্থ মহলাত ৪ খন বিচনাযুক্ত শিশু চিকিৎসা ৱাৰ্ড আৰু ১২ খন বিচনাযুক্ত ৱাৰ্ড সন্নিৱিষ্ট কৰা হৈছে। আনহাতে ৩২ টা কোঠাৰে ১৪.২৫ বিঘা এলেকা সামৰি নিৰ্মাণ কৰিবলগীয়া আৱৰ্ত ভৱনটোত ১০ টা এক্সিকিউটিভ ৰূম, ১০ টা ডিলাক্স ৰূম আৰু ২ টা ভিভিপি ছুইট ৰূম থাকিব। ইয়াৰ উপৰি চিকিউৰিটি বেৰেক তথা ড্ৰাইভাৰৰ থকাৰ সুবিধা আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ আৱাসগৃহ নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰাক উপত্যকাৰ আন্তঃগাঁথনি আৰু চিকিৎসা সেৱাৰ সা-সুবিধা বৃদ্ধিত এই প্ৰকল্প দুটাই বিশেষ ভূমিকা গ্ৰহণ কৰিব। তেওঁ ঘোষণা কৰে যে ৰাজ্য চৰকাৰে শিলচৰত ২০০ খন বিচনাযুক্ত নতুন চিকিৎসালয় ভৱন নিৰ্মাণৰ *১০ পৃষ্ঠাত*

## শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱে সমাজলৈ চিৰস্থায়ী অৱদান আগবঢ়াই গৈছে ঃ ড° শৰ্মা

### শ্ৰীৰামকৃষ্ণ মিছন সেৱাশ্ৰমৰ চিকিৎসালয়ৰ বাবে ৫ কোটি টকাৰ অনুদান ঘোষণা মুখ্যমন্ত্ৰীৰ



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিলচৰস্থিত ৰামকৃষ্ণ মিছন সেৱাশ্ৰমৰ শতবাৰ্ষিকী উদ্‌যাপন অনুষ্ঠানৰ লগতে শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ নৱনিৰ্মিত সাৰ্বজনীন মন্দিৰ উদ্বোধনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনোৱাৰ লগতে শিলচৰৰ ৰামকৃষ্ণ মিছন সেৱাশ্ৰমৰ সচিব স্বামী গণধীষানন্দ আৰু সেৱাশ্ৰমখনৰ সৈতে জড়িত সকলোকে শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰা মহান আধ্যাত্মিক মনিষী সকলৰ অন্যতম হৈছে শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱ। নিজৰ জীৱন আৰু শিক্ষাৰে তেখেতে আমাৰ সমাজলৈ চিৰস্থায়ী অৱদান আগবঢ়াই গৈছে। তেখেতে ভাৰতীয় সনাতন সভ্যতাক সমৃদ্ধ কৰাই নহয়, সামগ্ৰিকভাৱে বিশ্বক *১০ পৃষ্ঠাত*

# সংখ্যালঘু অধ্যুষিত অঞ্চল লাহৰীঘাট সমষ্টিত বিজেপি যুৱ নেতা ৰাকিবুল ইছলাম আকন্দৰ জনপ্ৰিয়তা বৃদ্ধি



**এহিয়া আহমেদ, লাহৰীঘাট ঃ** অসমৰ ৰাজনীতিৰ পৰিৱৰ্তনশীল প্ৰৱণতাৰ মাজত লাহৰীঘাট সমষ্টি এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে। এই সমষ্টি ইতিপূৰ্বে কংগ্ৰেছ আৰু আঞ্চলিক দলসমূহৰ শক্তিশালী গড় হিচাপে পৰিচিত আছিল, বিশেষকৈ ধৰ্মীয় সংখ্যালঘু সমুদায়ৰ সমৰ্থন লাভ কৰাৰ ক্ষেত্ৰত। কিন্তু বিগত কিছু বছৰৰ ভিতৰত বিজেপি নেতা 'ৰাকিবুল ইছলাম আকন্দ'ৰ নেতৃত্বত ইয়াত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন লক্ষ্য কৰা গৈছে। আকন্দৰ প্ৰচেষ্টা আৰু জনসংযোগৰ কৌশলৰ ফলত বিজেপিৰ প্ৰভাৱ লাহৰীঘাট সমষ্টিত দ্ৰুতগতিত বৃদ্ধি পাইছে।

**উন্নয়নমূলক দৃষ্টিভংগী আৰু জনসংযোগ**

ৰাকিবুল ইছলাম আকন্দে স্থানীয় জনসাধাৰণৰ প্ৰতি নিজৰ দায়িত্বশীলতা প্ৰমাণ কৰাৰ বাবে শিক্ষা, স্বাস্থ্য আৰু পৰিকাঠামোগত উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। স্থানীয় বিদ্যালয়সমূহৰ পৰিকাঠামো উন্নয়ন, যাতায়াত ব্যৱস্থাৰ আধুনিকীকৰণ আৰু চিকিৎসা সেৱাৰ সুযোগ-সুবিধা বঢ়োৱাৰ ক্ষেত্ৰত তেওঁ বিশেষভাৱে সক্ৰিয়। এইসকল উন্নয়নমূলক কামে লাহৰীঘাটবাসীৰ মাজত বিজেপিৰ প্ৰতি বিশ্বাস গঢ়ি তুলিবলৈ সহায় কৰিছে।

ইয়াৰ উপৰি, বিজেপিৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনি সঠিকভাৱে স্থানীয় জনগণৰ মাজলৈ পঠিয়াবলৈ আকন্দে উদ্যোগ গ্ৰহণ কৰিছে। যুৱসমাজৰ মাজত আত্মকৰ্মসংস্থান আৰু উদ্যোগিতাৰ প্ৰচাৰৰ ক্ষেত্ৰতো তেওঁৰ বিশেষ আগ্ৰহ লক্ষ্য কৰা গৈছে। এইসকল প্ৰচেষ্টাই বিশেষকৈ নতুন প্ৰজন্মৰ ভোটাৰসকলৰ মাজত আকন্দক জনপ্ৰিয় কৰি তুলিছে।

**সংখ্যালঘু সমুদায়ৰ মাজত বিজেপিৰ গ্ৰহণযোগ্যতা**

সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতিৰ আলোচনাৰ ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ বিষয় হ'ল সংখ্যালঘু ভোটাৰসকলৰ বিজেপিৰ প্ৰতি বাঢ়ি অহা সমৰ্থন। ইতিপূৰ্বে বিজেপিক মূলত এটা হিন্দু জাতীয়তাবাদী দল হিচাপে দেখা হৈছিল, কিন্তু আকন্দৰ নেতৃত্বত লাহৰীঘাটৰ সংখ্যালঘু সমুদায়ৰ মাজত দলটোৰ প্ৰতি এক নতুন আস্থা সৃষ্টি হৈছে।

তাৰ মূল কাৰণ হ'ল আকন্দৰ নেতৃত্বত বিজেপিৰ দলীয় সংগঠনৰ পৰিৱৰ্তন আৰু সামগ্ৰিক উন্নয়নমূলক নীতি। তেওঁ ৰাজনৈতিক বিভাজনৰ পৰিৱৰ্তে উন্নয়নৰ ওপৰত গুৰুত্ব দিছে, যিয়ে এক নতুন চিন্তা-ধাৰাৰ জন্ম দিছে। সংখ্যালঘু ভোটাৰসকলে এতিয়া বিজেপিৰ প্ৰতি আগ্ৰহ দেখুওৱা আৰু দলটোৰ উন্নয়নমূলক কামৰ মূল্যায়ণ কৰা পৰিলক্ষিত হৈছে।

লাহৰীঘাট সমষ্টিত বিজেপিৰ এই বৃদ্ধি আগশাৰীৰ ৰাজনৈতিক বিশেষজ্ঞৰ দৃষ্টিত উল্লেখযোগ্য। আকন্দৰ জনসংযোগ দক্ষতা, স্থানীয় সমস্যা সমাধানৰ প্ৰয়াস আৰু উন্নয়নমূলক কাৰ্যসূচী এই পৰিৱৰ্তনৰ অন্যতম চালিকা শক্তি। যদি এই ধৰণৰ জনসংযোগ আৰু কাম-কাজ আগলৈও অব্যাহত থাকে, তেন্তে ভৱিষ্যতে বিজেপি এই সমষ্টিত আৰু অধিক শক্তিশালী হ'ব বুলি অনুমান কৰা হৈছে।

বিজেপি যুৱনেতা 'ৰাকিবুল ইছলাম আকন্দ'ৰ নেতৃত্বত লাহৰীঘাট সমষ্টিত এক নতুন ৰাজনৈতিক পৰিৱেশ সৃষ্টি হৈছে। স্থানীয় জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি লক্ষ্য ৰাখি, উন্নয়নমূলক আৰু গণমুখী ৰাজনীতিৰ জৰিয়তে আকন্দে জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। এই ধৰণৰ নেতৃত্ব অব্যাহত থাকিলে লাহৰীঘাট সমষ্টিত বিজেপিৰ শক্তি আৰু অধিক মজবুত হোৱাৰ সম্ভাৱনা আছে।

# পাকাবেতবাৰীৰ উৎপল সূত্ৰধৰ CRPFৰ ৰাজপত্ৰিত বিষয়ালৈ পদোন্নতিঃ উৎফুল্লিত অঞ্চলবাসী



**প্ৰসন্ন নাথ, বৰপেটা ঃ** বৰপেটা জিলাৰ পাকাবেতবাৰী গাঁও নিৱাসী প্ৰয়াত চন্দ্ৰনাথ সূত্ৰধৰৰ দ্বিতীয় পুত্ৰ উৎপল চন্দ্ৰ সূত্ৰধৰে ৰাজপত্ৰিত বিষয়ালৈ পদোন্নতি লাভ কৰাত বিভিন্নজনে অভিনন্দন জনোৱা পৰিলক্ষিত হৈছে। সম্প্ৰতি দিল্লীৰ Director General office ত ( operational) বিভাগত কৰ্মৰত অৱস্থাত থকা উৎপল চন্দ্ৰ সূত্ৰধৰক CRPF NEW DELHI ৰ Gayanandra Kumar Verma, inspector general of police operational directorate IPS বিষয়াই এই পদোন্নতিৰ সম্ভাষণ জনায়। উল্লেখ্য যে, ইয়াৰ পূৰ্বে নিষ্ঠা আৰু সততাৰে চি আৰ পি এফৰ বিভাগটোত কাম কৰাৰ বাবে সুচৰিত্ৰবান তথা সহজ-সৰল ব্যক্তি উৎপলে President police medal for meritorious service announce on15 Aug 2024 বঁটা লভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, ১৯৮২-১৯৮৬ চনলৈ গোৱালপাৰা সৈনিক স্কুলত অধ্যায়ন কৰা উৎপলে বৰ্তমান বৰপেটা জিলাৰ অন্তৰ্গত বৰপেটাৰোডৰ উত্তৰ আঠিয়াবাৰীৰ বাসিন্দা হয়। সূত্ৰধৰে এনে কৃতিত্ব কঢ়িয়াই অনাত বৃহত্তৰ পাকাবেতবাৰী গাঁও আৰু উত্তৰ আঠিয়াবাৰীৰ অঞ্চলবাসীয়ে উৎফুল্লিত হোৱা পৰিলক্ষিত হৈছে। আৰু সেয়ে পাকাবেতৰী অঞ্চলৰ সাংবাদিকদ্বয় প্ৰদীপ কুমাৰ সৰকাৰ আৰু জিলমোহন ৰায় আদিকে ধৰি বিভিন্ন দল-সংগঠনে উৎপল চন্দ্ৰ সূত্ৰধৰক অভিনন্দন জনোৱাৰ লগতে তেওঁৰ উজ্বল ভৱিষ্যৎ কামনা কৰিছে।

# নগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ প্ৰশংসনীয় পদক্ষেপ



**নগাঁও ঃ** নগাঁও জিলাৰ বটদ্ৰৱা থানৰ প্ৰাংগণত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল উৎসৱ অনুষ্ঠিত কৰা পৰিলক্ষিত হৈছে। ইংৰাজী ১৩/৩/২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈ ১৭/৩/২০২৫ তাৰিখলৈকে অনুষ্ঠিত হ'ব। অসমৰ বিভিন্ন ঠাইৰপৰা এই বটদ্ৰৱা থানৰ দৌল উৎসৱ চাবলৈ অগণন ভক্তপ্ৰাণ ৰাইজৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। উদুলি মুদুলিৰ পৰিৱেশে বিৰাজমান কৰা এই ধৰ্মস্থলীখনত বিভিন্ন ভক্ত প্ৰাণ ৰাইজৰ জ্বৰ, কাহ, পেটৰ আদি বিভিন্ন ৰোগত আক্ৰান্ত হ'ব পাৰে, তাৰেই পৰিপ্ৰেক্ষিতত নগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ ব্যৱস্থাপনাত বটদ্ৰৱা থানৰ কীৰ্ত্তন ঘৰৰ কাষতে স্থাপিত হোৱা এটি কক্ষত পুৱাৰ পৰা গোটেই ৰাতি পৰ্যন্ত চিকিৎসকৰ লগতে এটি এটি স্বাস্থ্যকৰ্মীৰ দলে ভক্ত প্ৰাণ ৰাইজৰ স্বাস্থ্য সেৱা আগবঢ়ায় থকা দেখা পোৱা যায়। বটদ্ৰৱা থানতে কিছু বৃদ্ধ ভক্ত প্ৰাণ লোকৰ ৰক্তচাপৰ ফলত শৰীৰটো দুৰ্বল হৈ পৰাত , সেই স্থানত গৈ চিকিৎসক আৰু স্বাস্থ্যকৰ্মী উপস্থিত হৈ স্বাস্থ্য পৰীক্ষা কৰি তাৎক্ষণিক ঔষধ সেৱন কৰাই ১০৮ মাতি আনি উন্নতমানৰ চিকিৎসালয়লৈ ৰোগীক প্ৰেৰণ কৰা পৰিলক্ষিত হয়। স্বাস্থ্য বিভাগৰ এনে সুন্দৰ পদক্ষেপৰ বাবে বিভিন্ন ভক্তপ্ৰাণ ৰাইজে স্বাস্থ্য বিভাগৰ এনেকুৱা মানৱসেৱাৰ বাবে বহুত বহুত শুভেচ্ছা আৰু শুভকামনা জ্ঞাপন কৰা পৰিলক্ষিত হৈছে।

# দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাত পৰ্যটন উদ্যোগৰ সম্ভাৱনা বিকাশৰ ওপৰত বিস্তাৰ আলোচনা



**শৈলেন কুমাৰ, মিৰ্জা ঃ** বৃহত্তৰ দক্ষিণ কামৰূপৰ ১৯৯৫ চনত স্থাপিত হোৱা দক্ষিণ কামৰূপ প্ৰেছ ক্লাব সাংবাদিক, শিল্পী, সাহিত্যিকৰ অন্যতম অনুষ্ঠান। দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উদ্যোগত ১৬ মাৰ্চ দেওবাৰে দিনযোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উপৰহালী ভাওৰা গোপাল গোঁসাইঘৰ উপৰহালী ৰাইজ গয়ৰহৰ প্ৰাঙ্গণত দক্ষিণ কামৰূপত পৰ্যটন উদ্যোগৰ সম্ভাৱনা বিকাশ আৰু ৰাইজৰ কৰণীয় শীৰ্ষক এখনি আলোচনাচক্ৰ আৰু সম্বৰ্ধনা সভা আয়োজিত হয়। দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰৰ সঞ্চালনাত উক্ত সভাখন আয়োজিত কৰা হয়। সভাৰ কাৰ্যক্ৰমণিকা হিচাপে থাকে পুৱা বন্তি প্ৰজ্বালন কৰে উপৰহালী ৰাইজ গয়ৰহৰ সভাপতি অজিত চন্দ্ৰ ঠাকুৰীয়াই, দক্ষিণ কামৰূপৰ জ্যেষ্ঠ সাংবাদিক প্ৰয়াত বলেন কলিতা দেৱৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তেখেতৰ জীয়ৰী বিনীতা কলিতাই পুষ্পাঞ্জলি আৰু স্মৃতি তৰ্পণ কৰে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ ভৱেশে, সাংস্কৃতিক কাৰ্যসূচী আৰু মঞ্চ মুকলি কৰে অসম চৰকাৰৰ সাহিত্যিক বঁটা প্ৰাপ্যক গজেন্দ্ৰ অধিকাৰীয়ে, আলোচনাচক্ৰ আৰু সম্বৰ্ধনা সভা উদ্বোধন আৰু সঞ্চালনা কৰে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰে। অনুষ্ঠানৰ আলোচক হিচাপে উপস্থিত থাকে মঃ মোবাৰক হুচেইন, ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, ড° প্ৰাণেশ্বৰ নাথ আৰু ললিত কুমাৰ জৈন। সভাত ভাষণ ৰাখে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাঙ্গ ঠাকুৰীয়া আৰু বিজেপিৰ যুৱনেতা অনুপ কুমাৰ মেধিয়ে ভাষণত তেখেতে সকলে কয় আলোচনাচক্ৰত প্ৰস্তাৱ হোৱা বিষয় সমূহৰ প্ৰতিবেদন দাখিল কৰিব অসম চৰকাৰক বিধায়কৰ যোগেদি। আনহাতে সাংস্কৃতিক কাৰ্যসূচী মুকলি কৰে বিশিষ্ট কণ্ঠশিল্পী কুমাৰ ভৱেশৰ সংগীতানুষ্ঠানৰে লগতে দখলা অগ্ৰগামী চিষ্টাৰ্ছ মিউজিক ব্ৰেণ্ডৰ সদস্য-সদস্যাসকল আৰু উপৰহালী মিলিজুলি ভাই-ভনী বেনপাৰ্টিৰ সাংস্কৃতিক গীতমাতেৰে। উক্ত অনুষ্ঠানত সকলো বৰ্গৰ ৰাইজৰ উপস্থিতি আৰু সক্ৰিয় অংশগ্ৰহণে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ সক্ষম হৈছে।

# শিৱসাগৰ জিলা বিজেপিৰ উদ্যোগত 'অটল স্মৃতি সভা' সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন নৱ-ভাৰতৰ স্বপ্নদ্ৰষ্টা অটল বিহাৰী বাজপেয়ীৰ জন্ম-শতবাৰ্ষিকী উদ্‌যাপনৰ লগত সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় আৰু অসম ৰাজ্যিক সমিতিৰ নিৰ্দেশমৰ্মে ভাৰতীয় জনতা পাৰ্টিৰ শিৱসাগৰ জিলা কাৰ্যালয়ত যোৱা ১৬ মাৰ্চ, দেওবাৰে 'অটল স্মৃতি সভা' অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত নৱ গঠিত ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, ভাৰতীয় জনতা পাৰ্টিৰ জ্যেষ্ঠ নেতা সুৰেশ শইকীয়া, বিজেপিৰ জ্যেষ্ঠ নেত্ৰী সুশীলা গোস্বামী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে যোগানন্দ কোঁৱৰ, শিৱ ভদ্ৰা, সমীৰ গগৈ, জিলা প্ৰভাৰী প্ৰাঞ্জল কটকীৰ লগতে জিলা, মণ্ডল আৰু বুথৰ বিষয়ববীয়া তথা সদস্য-সদস্যাসকলৰ উপৰিও পৌৰসভাসমূহৰ জনপ্ৰতিনিধি সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত সুমন শৰ্মা আৰু শিল্পী দত্তই অটলজীৰ কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে। উল্লেখ্য যে, স্মৃতি সভাত ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ সমগ্ৰ জীৱন দৰ্শন আৰু দেশৰ প্ৰতি তেখেতৰ সুদূৰ প্ৰসাৰী অৱদানৰ ওপৰত জ্যেষ্ঠ নেতা তথা বিশিষ্ট শিক্ষাবিদ সুৰেশ শইকীয়া, জিলা বিজেপিৰ সভাপতি বিতোপন ৰাইদঙীয়া প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে আলোকপাত কৰে।

# চিকিৎসা বিজ্ঞানৰ মতে ৰোজাৰ উপকাৰিতা

■ নাছিৰ আহমেদ
শিমলাবাৰী, গোৱালপাৰা

ইছলাম ধৰ্মৰ পবিত্ৰ কোৰাণৰ মতে আৰবী ভাষাত ৰোজাক ছাউম, ছাওম বা ছিয়াম বুলি কোৱা হয়। ফাৰ্চী ভাষা মতে ৰোজা; যাৰ মূল উৎস হৈছে ৰুজে। আৰবী কেলেণ্ডাৰ মতে নৱম মাহ পবিত্ৰ ৰমজান মাহত (যি আৰবী ধাতু ৰামিয়া বা আৰ ৰামম ৰ পৰা উদ্ভৱ যাৰ অৰ্থ তাপমান বা শুষ্কতা) ছুবহ ছাদেক অৰ্থাৎ ৰাতিপুৱাৰ পৰা ফজৰৰ আজান আৰম্ভ হোৱাৰ পৰা সূৰ্যাস্ত লৈকে মগৰীবৰ আজান ধ্বনি উচ্চাৰণ হোৱাৰ আগলৈকে সকলো প্ৰকাৰৰ পানাহাৰ, পাপাচাৰ, যৌন কৰ্ম আৰু যাবতীয় ভোগ-বিলাসৰ পৰা নিজকে সম্পূৰ্ণ ৰূপে বিৰত ৰখাই হ'ল ৰোজা।

চিকিৎসা বিজ্ঞানীসকলে গৱেষণা কৰি সম্পূৰ্ণ ৰমজান মাহটোত ৰোজা পালন কৰাৰ উপকাৰিতা সম্বন্ধে বিতংকৈ আলোচনা আগবঢ়াইছে।

হৃদৰোগৰ চিকিৎসক ম্যাটছনে উল্লেখ কৰিছে যে, ৰোজা ৰখাৰ ফলত শৰীৰৰ অতিৰিক্ত ওজন হ্ৰাস কৰাত সহায় কৰে আৰু ৰক্তচাপ, কোলেষ্টেৰল আৰু হৃদৰোগৰ অন্যান্য সূচকসমূহক উন্নত কৰে। গৱেষণাত দেখা গৈছে যে, ৰোজাই গ্লুকোচৰ মাত্ৰা কমাই দিয়ে, GH ৰ নিঃসৰণক উদ্দীপিত কৰে আৰু প্ৰোল্যাকটিনৰ নিঃসৰণক বাধা প্ৰদান কৰে।

স্বাস্থ্য বিজ্ঞানী ডাঃ আব্ৰাহম জে হেনৰীয়ে ৰোজা সম্পৰ্কে কৈছে যে, ৰোজা হ'ল পৰম হিতৈষী ঔষধ বিশেষ। কাৰণ ৰোজা ৰখাৰ ফলত বাতৰোগ, বহুমূত্ৰ, অজীৰ্ণ, হৃদৰোগ তথা ৰক্তচাপজনিত ৰোগত মানুহে কম আক্ৰান্ত হোৱা দেখা যায়। আৰু গৱেষণাত দেখা গৈছে যে, পেপটিক আলচাৰত ভোগা ৰোগীয়ো স্বাচ্ছন্দ্য অনুভৱ কৰে।

ইফতাৰ (ৰোজা খোলা) আৰু ছেহেৰীত (ৰোজা ৰখা) নিয়মীয়াকৈ ফলমূল খালে ৰক্তচাপ নিয়ন্ত্ৰণ হয় আৰু স্বাভাৱিক হয়। (প্ৰবন্ধঃ Effect of Religious fasting in Ramadan on Blood pressure Ê. Results From LORANS ( London Ramadan Study and a Analysis)

তুৰস্কৰ গৱেষকসকলে ইৰাণ, মিছৰ, কুয়েট সহ আৰু কেইবাটাও দেশত কৰা ষোল্লটা গৱেষণা পত্ৰ একত্ৰিত কৰি দেখুৱাইছে যে, ৰোজা ৰখাৰ ফলত নাৰী-পুৰুষ উভয়ৰে ৰক্ত চুগাৰৰ মাত্ৰা আগতকৈ বেছি উন্নত হৈছে। আলাদাভাৱে ইন্দোনেছিয়াৰ গৱেষকসকলে ২৮ টি গৱেষণা একত্ৰ কৰি দেখুৱাইছে যে ৰোজা ৰখাৰ ফলত ডায়বেটিক ৰোগীসকলৰ ডায়েবেটিচ নিয়ন্ত্ৰণত থাকে।

মানৱ-দেহৰ অভ্যন্তৰত বৃহদান্ত্ৰ আৰু ক্ষুদ্ৰান্ত্ৰত অসংখ্য উপকাৰী জীৱাণু বসবাস কৰে; যিবোৰে শৰীৰৰ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি কৰাৰ উপৰিও স্বাস্থ্য ভালে ৰাখে। ৰোজা ৰখাৰ ফলত এই উপকাৰী জীৱাণুসমূহৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাই শৰীৰৰ উপকাৰ কৰে।

১৯৯৭ চনত 'দেহৰ সজীৱ পুষ্টিৰ ইতিবৃত্ত' শিৰোনামেৰে পৰিচালিত এক গৱেষণাত প্ৰমাণিত হৈছে যে, ৰোজা মানৱ-দেহৰ দূষিত কলেষ্টেৰল ও ট্ৰাইগ্লিছাৰাইড হ্ৰাস কৰে আৰু পৱিত্ৰ কলেষ্টেৰল বৃদ্ধি কৰে। ইয়াৰ জৰিয়তে মানুহৰ হৃদযন্ত্ৰক কাৰ্ডিও ভাছকুলাৰ ৰোগৰ পৰা পৰিত্ৰাণ কৰে। (দৈনিক আল-আৰাবিয়া ৮ জুলাই-২০১৪)

কিডনী সমস্যাত ভুগি থকা ৰোগীসকলে ৰোজা ৰাখিলে কিডনীত সঞ্চিত পাথৰ আৰু চূণ দূৰীভূত হয়।

স্বাস্থ্য বিজ্ঞানীসকলৰ মতে ৰোজা ৰখাৰ উপকাৰিতা হ'ল, গোটেই বছৰ ধৰি ন্যূনতম আহাৰ গ্ৰহণ, অতিভোজ, কুখাদ্য, অখাদ্য আৰু ভেজাল খাদ্য খোৱাৰ ফলত আমাৰ শৰীৰত যি জৈৱ বিষ জমা হয়, সি শৰীৰৰ বাবে মাৰাত্মক ক্ষতিকাৰক। একমাহ ধৰি ৰোজা ৰখাৰ ফলত সি অতি সহজেই মষিমূৰ হয়।

চিকিৎসকসকলৰ মতে ৰোজাই আমাৰ মস্তিষ্কৰ ছেৰিবেলাম আৰু লিমৰিক চিষ্টেমৰ ওপৰত নিয়ন্ত্ৰণ বৃদ্ধি হোৱাৰ বাবে মনৰ অশান্তি, দুশ্চিন্তা আৰু মানসিক উত্তেজনা হ্ৰাস হৈ মানুহৰ মন মঙ্গলময় আৰু প্ৰফুল্লমণ্ডিত হৈ পৰে।

ডাঃ আইজাক জেনিংছে মন্তব্য আগবঢ়াইছে যে, যিবিলাক মানুহে আলস্য, গোড়ামী বা অতি ভোজনৰ বাবে জীৱনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই হতাশাগ্ৰস্ত হৈ আত্মহত্যাৰ পথ বাচি ল'বলৈ অগ্ৰসৰ হয়, একমাত্ৰ ৰোজাই তেওঁক এই মহা বিপজ্জনক পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

বিশ্ববিখ্যাত চিকিৎসা বিজ্ঞানী নাষ্টাবাৰনাৰে উল্লেখ কৰে যে, যিবিলাক মানুহে ফুচফুচৰ কাহ, কঠিন কাহ, চৰ্দি আৰু ইনফ্লুৱেঞ্জাত আক্ৰান্ত, তেওঁলোকে কেইবাদিন ৰোজা বা উপবাস থাকিলেই এই কঠিন ৰোগৰ পৰা হাত সাৰিবলৈ সক্ষম হয়।

ন'বেল পুৰস্কাৰ বিজয়ী ঔষধ আৰু শল্য চিকিৎসাৰ প্ৰখ্যাত ডাঃ অ্যালেকছিছে তেওঁৰ গৱেষণা পত্ৰত উল্লেখ কৰিছে যে, ৰোজা ৰখাৰ ফলত লিভাৰৰ ৰক্ত সঞ্চালন দ্ৰুত হয়; ফলত



ত্বকৰ তলত সঞ্চিত চৰ্বি, পেশীৰ প্ৰ'টিন, গ্ৰন্থিসমূহ আৰু লিভাৰৰ কোষবোৰ আন্দোলিত হয়।

স্বাস্থ্য বিজ্ঞানী ডাঃ শ্বেলটনে তেওঁ লিখা "Superior Nutrition" গ্ৰন্থত উল্লেখ কৰিছে যে, ৰোজা থকাৰ সময়ত শৰীৰৰ মধ্যকাৰ প্ৰ'টিন, চৰ্বি, শৰ্কৰা জাতীয় পদাৰ্থসমূহ স্বয়ংভাৱে পাচিত হয়। ফলত গুৰুত্বপূৰ্ণ কোষবোৰৰ পুষ্টি সাধন হয়।

প্ৰাকৃতিক বিজ্ঞানীসকলৰ মতেও দিনৰ ভাগত খাদ্যাদি গ্ৰহণৰ অভ্যাস সলনি কৰি ৰাতিৰ ভাগত খাদ্যাদি গ্ৰহণ কৰিলে শাৰীৰিক উৎকৰ্ষ সাধন হয়।

ৰোজাৰ ওপৰত গৱেষণা কৰি বিস্ময়কৰ তথ্য দি ২০১৬ চনত ন'বেল বঁটা লাভ কৰিছিল জাপানী গৱেষক আৰু বিজ্ঞানী অছিনৰি অছুমি। তেওঁ কৈছিল যে, মুছলমানসকলে যাক ৰোজা বুলি কয়, তাক মই কওঁ 'অটোফেজি'। আমি নিয়মীয়াকৈ দৈনিক খাদ্য সামগ্ৰী ভোগ কৰি থকাৰ ফলত বেছিভাগ ক্ষেত্ৰতে খাদ্যাদি ঠিক মতে হজম নহৈ কিছুমান অলাগতীয়াল ক্ষতিকাৰক পদাৰ্থ পেটৰ ভিতৰত জমা হৈ নানা জটিল ৰোগত আক্ৰান্ত হোৱা পৰিলক্ষিত হয়। গতিকে, এমাহলৈ ৰোজা ৰখাৰ ফলত অনাকাংক্ষিত পদাৰ্থসমূহ হজম হৈ শৰীৰ ৰোগ-মুক্ত হৈ স্বাস্থ্য সুন্দৰ হৈ পৰে। এই পদ্ধতিৰ নামেই হ'ল 'অটোফেজি'।

নিঃসন্দেহে, ইছলাম ধৰ্মৰ পাঁচ বিধ স্তম্ভৰ ভিতৰত চতুৰ্থ স্তম্ভ ৰোজা ৰখাৰ ফলত ধৰ্মীয় ভাৱে ইহকাল আৰু পৰকালৰ বাবে যথেষ্ট উপকাৰ সাধন হোৱাৰ উপৰিও চিকিৎসা বিজ্ঞানৰ মতেও শাৰীৰিক আৰু মানসিক বিকাশত বৰঙণি আগবঢ়োৱা দেখা যায়।

অৱশ্যে,অতিৰিক্ত উচ্চ ৰক্তচাপ, নিয়ন্ত্ৰণহীন ডায়েবেটিচ বা বহুমূত্ৰ ৰোগ, হৃদপিণ্ড বা কিডনী বিকল হ'লে বা জীৱন সংহাৰী কঠিন দুৰাৰোগ্য ব্যাধিৰ ক্ষেত্ৰত ৰোজা ৰখা অৱশ্যম্ভাৱী নহয়।

**ম'বাইল ঃ** ৯১০১৪-৬৫৮০৫


# মুক্তমঞ্চ

*বিশ্ব কাব্য দিৱস উপলক্ষে*

■ বিতোপন গগৈ
শিমলুগুৰি, লখিমপুৰ

'মা-নিষাদ প্ৰতিষ্ঠাং
তমঃগমঃশ্বাশ্বতীসমাঃ।
যত ক্ৰৌঞ্চ মিথুনাদেকমবধি
কাম মোহিতম।।'
—বাল্মিকী

হৃদয়-মন-মগজুৰ বিচিত্ৰ বিৱৰ্তনৰ অনুভূতি। কবিতা, চিন্তন, কৰ্ষণ, মননৰ সৃষ্টি। অপূৰ্ব মনোহৰ চৈতন্যময় জীৱনত ভাললগা-ভালপোৱাৰ সৌন্দৰ্য। সমস্যা সমাধানৰ বাবে ভোগ, লিপ্সা, ঈৰ্ষাত যুদ্ধৰ শেষত শান্তিৰ প্ৰাৰ্থনা। এই চিৰন্তন সত্য, অসত্য, শুদ্ধ-অশুদ্ধতাৰ পৰিব্যাপ্তিত নিহিত ৰহস্য। ব্ৰহ্মাণ্ডৰ চিৰাচৰিত গতি। ইয়াৰ পৰিমণ্ডলত আনন্দ, বিষাদৰ নিয়তিৰ গণনাসূত্ৰ। ৰূপ-ৰং, গন্ধ, স্পৰ্শ সকলোতে বিৰাজমান ঋতুময় জাগৃতিক গুঞ্জন। উৎসৱ-পাৰ্বন, বিবাহ, জন্ম, মৃত্যু, অৱধাৰিত, আকস্মিক যন্ত্ৰণা, সুখনিদ্ৰা, মৈথুন, আকাশ, বায়ু, পানী, চেঁচা-তপত, ওখ-চাপৰ সৰ্বত্ৰে কাব্যযাত্ৰাৰ বাট মুকলি। চিনাকি-অচিনাকি, আপোন-পৰ, তিতা-মিঠা, টেঙা-জ্বলা, কেঁহা, নিমখ-চেনিৰ পয়োভৰ। উদং ভৰ্ত্তিৰ খেল। ক'ত নাই কবিতাৰ গীতিময় মাধুৰ্যতা। খঙাল দুপৰীয়াৰ ধৈৰ্য। সাহসী সাগৰৰ নদীময় ঢৌ। জুই-পানীৰ অবিচল মিলা-মিছা। ধূৰ্ত, মুৰ্খৰ ভোটযুদ্ধ। পথাৰ, বজাৰ, খেতিৰ পঢ়াশালি। জ্যেষ্ঠ-কনিষ্ঠৰ সীমা বিবাদ। বোমা-বাৰুদৰ ধ্বংসৰ ধুমুহা। ক'ত নাই বিদ্যুত সঞ্চাৰন। প্ৰহৰীৰ বসুদেৱ সন্ধানত যীচু-আল্লাৰ স্মৰণ। মুঠৰ ওপৰত ৰাজনীতিৰ বৃহৎ পদ্য। বিশ্বজুৰি আলোড়ন। পঠন, লিখন, অনুশীলন। অস্ত্ৰ পৰীক্ষণৰ আশীৰ্বাদ। আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি। হাতত পতাকা ধৰি আমাৰ এই কাব্য আন্দোলন। স্পন্দিত লয়ত সাৰে থাকক সকলো।



ভূমিকম্প ৰোধিম। ১৯৯৯ চনৰ পৰাই আমাক ইউনেস্কোৱে হাতবাউল দি মাতিলে। আহক, সকলোৱে আগুৱাই যাওঁ সপোনৰ বাটত...।

'Hold fast to dreams
For if dreams die
Life is a broken winged bird.
That cannot fly...'
—(Langstone Hurd)

...তথাপি আমি প্ৰাৰ্থনা কৰোঁ পুৱাতেই দিনটোৰ সপোনৰ কথা ভাবি। বেলেগৰ সুকীয়া অনুভূতিৰ উদ্ধৃতিয়ে বেছিকৈ ক'ব বিচৰা নাই; কিন্তু মানুহৰ কাব্যিক স্বপ্ন বিৰাজমান নতুনৰ সন্ধানত। 'পুৰণি পৃথিৱী ন-কৈ চাই লওঁ হে বীণ এষাৰি মাত...।' মাধৱ কন্দলী, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, শঙ্কৰদেৱ-মাধৱদেৱ, সাৰ্বভৌম ভট্টাচাৰ্য, দুৰ্গাবৰ, ৰাম সৰস্বতী, চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, যতীন্দ্ৰনাথ দুৱৰা, কমলাকান্ত ভট্টাচাৰ্য, পদ্মনাথ গোহাঞিঃ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, নলিনীবালা দেৱী, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, আনন্দ চন্দ্ৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, অমূল্য বৰুৱা, পাৰ্বতীপ্ৰসাদ বৰুৱা, ৰঘূনাথ চৌধাৰী, অম্বিকাগিৰী ৰায় চৌধুৰী, মিত্ৰদেৱ মহন্ত, অতুল চন্দ্ৰ হাজৰিকা, ছৈয়দ আব্দুল মালিক, ড° মামনি ৰয়ছম গোস্বামী, হোমেন বৰগোহাঁই, নৱকান্ত বৰুৱা আদি সকলোকে বিশ্ব কাব্য দিৱসৰ এই শুভ-ক্ষণত শ্ৰদ্ধা জ্ঞাপনেৰে প্ৰণিপাত জনাইছোঁ।

**ম'বাইল ঃ** ৯৩৬৫১-৬৮৮০৬

# কিতাপৰ বৰ্ষত এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকৰ মহানুভৱতা ঃ পেঞ্চনৰ ধনেৰে এশ পুথিভঁৰাললৈ গ্ৰন্থ

**দিলীপ মেধি, শুৱালকুছি ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী তথা দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্যই অসম চৰকাৰে ঘোষণা কৰা কিতাপৰ বৰ্ষৰ লগত সংগতি ৰাখি তেখেতৰ দুমাহৰ পেঞ্চনৰ ধনেৰে নিৰ্বাচিত এশটা ৰাজহুৱা আৰু বিদ্যালয় পুথিভঁৰাললৈ শিশু উপযোগী গ্ৰন্থ উপহাৰ দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ শিশুসকলৰ মাজত অধ্যয়ন সংস্কৃতি বঢ়োৱাৰ বাবে অৱসৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে এই ব্যৱস্থা হাতত লৈছে। এই কাম সম্পন্ন কৰিবলৈ অৱসৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে দুমাহৰ পেঞ্চনৰ ধন মুঠ এক লাখ দহ হাজাৰ টকা খৰচ কৰিছে। এই মাহৰ শেষৰ পিনে অসমৰ নিৰ্বাচিত ৰাজহুৱা আৰু বিদ্যালয় পুথিভঁৰাললৈ তেখেতে এই গ্ৰন্থ প্ৰেৰণ কৰিব। নিৰ্বাচিত প্ৰতিটো পুথিভঁৰালক এঘাৰশ টকা মূল্যৰ গ্ৰন্থ উপহাৰ দিব। শিশুসকলৰ মাজত যাতে ৰাজহুৱা পুথিভঁৰাল বা বিদ্যালয় পুথিভঁৰাললৈ গৈ গ্ৰন্থ অধ্যয়ন কৰাৰ অভ্যাস গঢ়ি উঠে তাৰ প্ৰতি লক্ষ্য ৰাখি অৱসৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে পৰেশ বৈশ্য ফাউণ্ডেচনে ইয়াৰ আগতেও অসমৰ এক হাজাৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত একোখনকৈ বুঢ়ী আইৰ সাধু বিতৰণ কৰি সকলোৰে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতে ২০২৫ বৰ্ষটো অসম চৰকাৰে কিতাপৰ বৰ্ষৰ হিচাপে ঘোষণা কৰা কাৰ্যৰো শলাগ লয়। চৰকাৰী পৃষ্ঠপোষকতাত কিতাপৰ বৰ্ষ ঘোষণা কৰাটো অসমৰ বৌদ্ধিক সমাজৰ বাবে এক আশাৰ বতৰা বুলিও অৱসৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে মত পোষণ কৰে। তেওঁ বিশেষকৈ শিক্ষাৰ্থীসকলৰ মাজত অধ্যয়ন সংস্কৃতি নিৰবিচ্ছিন্নভাৱে অব্যাহত ৰাখিবলৈ চৰকাৰে সুদূৰপ্ৰসাৰী আঁচনি ৰূপায়ণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

# শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ স্বচ্ছতা অভিযান সামৰণি




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো অসম চৰকাৰৰ নিৰ্দেশমৰ্মে যোৱা ৭ মাৰ্চৰ পৰা ১৪ মাৰ্চলৈ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত স্বচ্ছতা অভিযান কাৰ্যসূচী পালন কৰাৰ হয়। উল্লেখ্য যে, জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে অৱগত কৰা অনুসৰি শিৱসাগৰ জিলাৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকৰ কাৰ্যালয় প্ৰাংগণত গছপুলি ৰোপণেৰে উক্ত কাৰ্যসূচীৰ শুভাৰম্ভণি কৰা হয়। শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত জিলাৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতাৰ লগতে শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ ৰঞ্জিত হাজৰিকাই গছপুলি ৰোপণ কৰি অভিযান মুকলি কৰে। বিশেষকৈ এই অভিযানৰ লক্ষ্য হ'ল চিকিৎসালয়সমূহৰ চৌহদত পৰি থকা আৱৰ্জনা, অ-প্ৰয়োজনীয় সামগ্ৰীসমূহ এক নিৰ্দিষ্ট স্থানত ৰখাৰ ব্যৱস্থা কৰা, স্বচ্ছতা অভিযানৰ পিছত চিকিৎসালয়ৰ চৌহদত পৰি থকা আৱৰ্জনা, চিকিৎসাৰ কাৰ্যত ব্যৱহাৰ হোৱাৰ পিছত পেলনীয়া সামগ্ৰীসমূহ জিলা নিষ্কাশন সমিতিৰ দ্বাৰা নিষ্কাশনৰ কাম ধাৰাবাহিকভাৱে অব্যাহত ৰখাৰ ব্যৱস্থা কৰা আৰু প্ৰতিখন চিকিৎসালয় সম্পূৰ্ণ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ক্ষেত্ৰত সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰা। আনহাতে গছপুলি ৰোপণৰ পাছতেই স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে হাতে হাতে ঝাডু লৈ স্বচ্ছতাৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়ে বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। উল্লেখযোগ্য যে, অসম চৰকাৰৰ স্বাস্থ্য বিভাগে জিলাই জিলাই হাতত লোৱা এনে পদক্ষেপে চিকিৎসালয়সমূহত স্বচ্ছতাৰ এক নতুন দিগন্তৰ ৰচনা কৰিবনে নকৰে সেইয়া আগন্তুক সময়ত লক্ষণীয় হ'ব।

# থানেশ্বৰ মালাকাৰৰ 'বতাহত মাটিৰ গোন্ধ' উন্মোচন



**দিলীপ মেধি, শুৱালকুছি ঃ** মানুহক বিষয় হিচাপে লৈ লিখা সাহিত্য কালজয়ী। যি সাহিত্যত মানুহৰ হৃদয়ৰ সংবাদ সংপৃক্ত হৈ থাকে তেনে সাহিত্যহে শ্ৰেষ্ঠ সাহিত্য। ১৬ মাৰ্চত গুৱাহাটীৰ খাৰঘুলিত বিশিষ্ট ঔপন্যাসিক নিৰুপমা বৰগোহাঞিৰ বাসভৱনত সু-লেখক তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া থানেশ্বৰ মালাকাৰৰ ২৬ সংখ্যক গ্ৰন্থ 'বতাহত মাটিৰ গোন্ধ' গ্ৰন্থখন উন্মোচন কৰি সু-সাহিত্যিক নিৰুপমা বৰগোহাঞিয়ে এইদৰে কয়। তেওঁ আৰু কয় যে নিজৰ দুখৰ সময়ত সদায় তললৈ চাব লাগে। যেতিয়া আমি জীৱনত দুখ পাওঁ, তেতিয়া আমাতকৈয়ো দুখত থকাজনৰ চিন্তা কৰিব পৰাটোহে সংবেদনশীল মানুহৰ লক্ষণ। তেওঁ আৰু কয় যে থানেশ্বৰ মালাকাৰ এজন উচ্চ পদস্থ বিষয়া হৈয়ো চাকৰি কালত আৰু অৱসৰৰ পাছতো নিৰবিচ্ছিন্নভাৱে সাহিত্যৰ পৃথিৱীখনত বিচৰণ আৰু অনুশীলন কৰি থকাটো বৰ সন্তোষৰ কথা। যুৱ লেখক বিজয় শংকৰ শৰ্মাই আঁত ধৰা উক্ত অনুষ্ঠানৰ আৰম্ভণিতে গ্ৰন্থখনৰ ৰচয়িতা থানেশ্বৰ মালাকাৰে গ্ৰন্থখনৰ বিষয়বস্তুৰ কথা উল্লেখ কৰে। তেখেতে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত প্ৰখ্যাত সাহিত্যিক হোমেন বৰগোহাঞিৰ পৰা পোৱা অনুপ্ৰেৰণা আৰু সাহসৰ কথাও স্মৰণ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ তথা লেখক-সাংবাদিক পৰেশ বৈশ্যই কয় যে থানেশ্বৰ মালাকাৰে যিমানবোৰ গ্ৰন্থ লিখিছে সৰহভাগেই মানুহ- কেন্দ্ৰিক। তেখেতৰ ৰচনাত কেৱল প্ৰতিষ্ঠিত ব্যক্তিৰ কথাই নাই, সমাজত আমি যাক সৰু মানুহ বুলি কওঁ তেওঁলোকৰ কথাও মালাকাৰৰ সৃষ্টিত আগস্থান লাভ কৰিছে। অনুষ্ঠানত ভাগ লৈ বিশিষ্ট লেখক গোপাল জালানে নিৰুপমা বৰগোহাঞিৰ সাহিত্যৰাজিৰ শলাগ লয়। তেওঁ থানেশ্বৰ মালাকাৰৰ এই গ্ৰন্থখনে পাঠকৰ অন্তৰ জয় কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° প্ৰদীপ্ত বৰগোহাঞিয়ে মালাকাৰৰ মানুহৰ সৈতে থকা সম্পৰ্ক আৰু সান্নিধ্যই আত্মজৈৱনীক ৰূপী গ্ৰন্থখনক অনন্য ৰূপ দিছে বুলি উল্লেখ কৰে। সভাত ৰূপা বৰ্মন বৰগোহাঞি, মনিকা মালাকাৰ, মৈত্ৰেয়ী মালাকাৰ, উৎপল বৈশ্য আদি উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ বিশিষ্ট শিল্পী চৈয়দ চাদুল্লালৈ গণশিল্পী মঘাই ওজা বঁটা ঃ ১৯ এপ্ৰিলত বঁটা গ্ৰহণ




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** গণশিল্পী মঘাই ওজা কলাক্ষেত্ৰই প্ৰতিবছৰে প্ৰদান কৰি অহা গণশিল্পী 'মঘাই ওজা বঁটা' এই বছৰ বিশিষ্ট শিল্পী, সুৰকাৰ, গীতিকাৰ তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত বাদ্যযন্ত্ৰী শিল্পী চৈয়দ চাদুল্লালৈ আগবঢ়োৱা হৈছে। যোৰহাটৰ হাতীগড় নাওশলিয়াত থকা মঘাই ওজা কলাক্ষেত্ৰ সমাজে আয়োজন কৰা গণশিল্পী গৰাকীৰ ৪৫ সংখ্যক মৃত্যু দিৱসত এই বঁটা ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, চৈয়দ চাদুল্লাই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰদ্বাৰা ১৯৭৭ চনতে গণশিল্পীগৰাকীৰ দীঘলীয়া সাক্ষাৎকাৰ গ্ৰহণ কৰি আৰু তেওঁৰ ঢোলবাদন বাণীবদ্ধ কৰি তেওঁৰ স্থিতি যুগমীয়া কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত তেওঁ মঘাই ওজাক লৈ গীত ৰচনা কৰি আকাশবাণীত বাণীবদ্ধ কৰাৰ লগতে গণশিল্পীগৰাকীৰ জীৱন সম্পৰ্কীয় আলেখ্যও ৰচনা কৰিছিল। অহা ১৯ এপ্ৰিল ২০২৫ত মঘাই ওজা কলাক্ষেত্ৰত হ'বলগীয়া বিহুসন্মিলনত এই বঁটা প্ৰদান কৰা হ'ব বুলি কলাক্ষেত্ৰ উদ্যক্তা সমাজৰ পৰা জানিব পৰা গৈছে।

# বিশ্ব মুখৰ স্বাস্থ্য দিৱস উপলক্ষে ডিব্ৰুগড়ত দন্ত চিকিৎসা সম্পৰ্কীয় সজাগতা সভা-বিনামূলীয়া চিকিৎসা শিবিৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** বিশ্ব মুখৰ স্বাস্থ্য দিৱস উপলক্ষে যোৱা ১৮ মাৰ্চত ডিব্ৰুগড়ত এখনি 'মুখৰ স্বাস্থ্য সজাগতা সভা' আৰু পৰীক্ষা শিবিৰ স্থানীয় জীৱন ফুকন নগৰস্থিত ডিব্ৰুগড় জিলা পেঞ্চনাৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। ডিব্ৰুগড় ডেন্টেল কলেজৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা পেঞ্চনাৰ সংস্থাৰ সহযোগত আয়োজিত মুখ স্বাস্থ্যৰ সজাগতাৰ সভাখনি উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক, লেখক ৰতন হাজৰিকাই। সভাৰ স'তে সংগতি ৰাখি 'মুখৰ স্বাস্থ্য আৰু সজাগতা' শীৰ্ষক বিষয়ক মূল্যৱান বক্তৃতা প্ৰদান কৰি অসম ষ্টেট ডেন্টেল কাউঞ্চিলৰ সভাপতি, শ্ৰীমন্ত শংকৰদেৱ অৱ হেল্‌থ চায়েঞ্চেচৰ ফেকাল্টি অৱ ডেন্টেল চায়েঞ্চৰ ডীন আৰু নেচনেল অ'ৰেল হেল্‌থ প্ৰগ্ৰেমৰ যুটীয়া সচিব, লেখিকা ডাঃ ৰুবী কটকীয়ে কয় যে মানুহৰ দাঁত দুপাৰি শৰীৰৰ অন্যতম অংগ। দাঁতৰ দুবিধ বেমাৰ হৈছে দন্তক্ষয় আৰু আলুৰ ৰোগ। এই ৰোগৰ পৰা বাচিবলৈ আৰু ভালদৰে চোবাই খাবলৈ দাঁত ভালে ৰাখিবই লাগিব। দাঁতৰ বেমাৰ বা তাৰ পৰা হোৱা সমস্যাই বহু সময়ত নিজকে সমাজত মুখামুখি হোৱাৰ বাবে মানুহে সাহস আৰু আত্মবিশ্বাস হেৰুৱাই পেলায়। ফলত নিজৰ সামাজিক স্থিতি, ব্যক্তিত্ব আদিতো বিৰূপ প্ৰভাৱ পৰে। সেইবাবে দাঁতৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰা, তিনিৰ পৰা ছয় মাহৰ ভিতৰত টুথ ব্ৰাছ সলনি কৰা, সঠিক পদ্ধতিৰে ব্ৰাছ কৰা, পুৱাৰ পৰা নিশা পৰ্যন্ত কমেও দুবাৰ দাঁত ব্ৰাছ কৰা আদি নিয়ম মানি চলাৰ প্ৰয়োজন। তদুপৰি মুখৰ দুৰ্গন্ধও মুখৰ এক ডাঙৰ সমস্যা। এই সমস্যা কেৱল ইলাচি, লংগুটি খাই সমাধান কৰিব পৰা সমস্যা নহয়, মানসিক স্থিৰতাকে ধৰি খাদ্যাভাস আৰু আধ্যাত্মিক দিশৰ কথাও মুখৰ স্বাস্থ্যৰ স'তে জড়িত বুলি ডাঃ কটকীয়ে ভাষণত উল্লেখ কৰে। ডাঃ কটকীয়ে বিশ্ব মুখৰ স্বাস্থ্য দিৱসৰ তাৎপৰ্য সম্পৰ্কেও ভাষণত চমুকৈ আলোকপাত কৰে। চৰকাৰী পেঞ্চনাৰ সংস্থাৰ সম্পাদক মৃদুল শৰ্মাই আঁতধৰা সভাত ডিব্ৰুগড় ডেন্টেল কলেজৰ প্ৰৱক্তা ডাঃ অন্তৰিকা গগৈয়েও বিষয়টোৰ স'তে সংগতি ৰাখি বক্তব্য আগবঢ়ায়। সভাৰ অন্তত আৰম্ভ হোৱা সজাগতা শিবিৰত ডাঃ শ্বাশ্বত গুঞ্জন বসুমতাৰী, ডাঃ ফাৰহিন তাবাচুম, ডাঃ নীলভ কলিতা, ডাঃ অঞ্জুমন ফৰিতা, ডাঃ লন মৌ ৰেইংকেন, ডাঃ পাৰভেজ আমিন, ডাঃ মিৰ্জা হাছিবুল হাছান, ডাঃ ভাশ্বনজ্যোতি বুঢ়াগোহাঁয়ে চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে বিভাগৰ তৰফৰ পৰা বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। শিবিৰত পেঞ্চনাৰ সংস্থাৰ বিষয়ববীয়া, সদস্য-সদস্যাসকলৰ লগতে চহৰখনৰ ডেৰকুৰিৰো অধিক লোকে চিকিৎসা সেৱা গ্ৰহণ কৰে।




# তেজপুৰ শইকীয়া চুবুৰীৰ জামে মছজিদ প্ৰাঙ্গণত সমূহীয়া ইফটাৰ সম্পন্ন



**চন্দন শৰ্মা, তেজপুৰ ঃ** তেজপুৰ শইকীয়া চুবুৰী মুছলমান গাঁৱৰ সমূহ ৰাইজৰ উদ্যোগত শইকীয়া চুবুৰী মুছলিম গাঁও জামে মছজিদ প্ৰাঙ্গণত দেওবাৰে বিয়লি পাঁচমান বজাত সমন্বয় সম্প্ৰীতি আৰু সাতামপুৰুষীয়া ভাতৃত্ববোধৰ এনাজৰী অটুট ৰখাৰ উদ্দেশ্যেৰে সমূহীয়া ইফটাৰ পালন কৰে। উল্লেখ্য যে ইছলাম ধৰ্মৰ পাঁচটা মূল ভেটিৰ অন্যতম হৈছে ৰমজান মাহৰ ৰোজা। ৰোজা বা ব্ৰত পালন কৰা প্ৰতিজন মুছলমানৰ বাবে অপৰিহাৰ্য পালনীয় কৰ্তব্য। চলিত ৰমজান মাহত মুছলমান সকলে আল্লাহৰ মহান হুকুম পালনাৰ্থে দিনটো উপবাসে থাকি ৰোজা পালনৰ দৰে কঠিন সাধনা কৰি আছে। গোটেই দিনটো ভোকে-পিয়াহে থাকি ৰোজা বা ব্ৰত পালনৰ অন্তত ৰোজাদাৰসকলে সুৰ্য্য অস্ত যোৱাৰ লগে লগে পানী, চৰবত, খেজুৰ বিভিন্ন ফল-মূল আদি নানা ধৰণৰ সুস্বাদু খাদ্যৰ দ্বাৰা ইফতাৰ গ্ৰহণ কৰি ৰোজা ভঙ্গ কৰে। উক্ত পবিত্ৰ অনুষ্ঠানত মূখ্য অতিথিৰ আসন অলংকৃত কৰে তেজপুৰৰ বিধায়ক পৃথিৱীৰাজ ৰাভাই। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে মহাজাতি টুৱেন্টি ফ'ৰ লাইভ চেনেলৰ স্বত্বাধিকাৰ তথা মানৱ অধিকাৰ আয়োগৰ সঞ্চালক ড° পৰশমণি সিংহ, জিলা সভাপতি মধুস্মিতা হাজৰিকা, জিলা কাৰাগাৰৰ কাৰাধ্যক্ষ নেইমা আহমেদ, দৰং মহাবিদ্যালয়ৰ প্ৰৱক্তা খনীন্দ ডেকা, যুব সমাজকৰ্মী নেকিব আহমেদৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ডিব্ৰুগড়ত পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীক স্মৰণ ডিব্ৰুগড় জিলা মহিলা সমিতিৰ



**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** অসমৰ এগৰাকী বিদূষী মহিলা পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীক ডিব্ৰুগড়ত শ্ৰদ্ধাৰে স্মৰণ কৰে শতিকা প্ৰাচীন সংগঠন ডিব্ৰুগড় জিলা মহিলা সমিতিয়ে। এই উপলক্ষ্যে ১৬ মাৰ্চত সংগঠনটোৱে উন্নয়ন এলেকা সমন্বয় মহিলা সমিতিৰ সহযোগত উন্নয়ন এলেকা প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে জিলা মহিলা সমিতিৰ সভাপতি দীপালি শইকীয়াই। সভাপতি শইকীয়াই বিদূষী মহিলাগৰাকীৰ জীৱন আৰু কৃতিৰ লগতে সাম্প্ৰতিক সময়ত তেওঁৰ আদৰ্শৰ প্ৰয়োজনৰ সম্পৰ্কত এক তথ্যসমৃদ্ধ বক্তৃতা প্ৰদান কৰে। সমন্বয় মহিলা সমিতিৰ সভাপতি অঞ্জু কাকতিৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° পল্লৱী ডেকা বুজৰবৰুৱাই চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বৈপ্লৱিক জীৱন সত্তা সম্পৰ্কে এক সাৱলীল ভাষণ প্ৰদান কৰি কয় যে নাৰীয়ে প্ৰথমতে নিজক চিনি পাব লাগিব, তেতিয়াহে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ দিৱস পতাৰ সাৰ্থকতা থাকিব। পদ্মশ্ৰী চন্দ্ৰপ্ৰভাৰ আদৰ্শেৰে মহিলা সমিতিৰ স’তে অনাগত দিনত তেওঁ কাম কৰি যাব বুলিও ভাষণত উল্লেখ কৰে। সভাত ডিমৌ কলেজৰ অৱসৰী অধ্যাপক মামনি গগৈ বৰগোহাঁয়ে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ সাহিত্য-জীৱন সম্পৰ্কে আলোকপাত কৰি বক্তব্য আগবঢ়ায়। সভাত ৰেডিঅ’ জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী বিষয়া স্বপ্নালী ভূএগ্রাই নিজৰ অনুভৱ ব্যক্ত কৰে। ডিব্ৰুগড় চহৰকে ধৰি বিভিন্ন প্ৰান্তৰ অৰ্ধশতাধিক মহিলা উপস্থিত থকা উক্ত সভাত শিশু শিল্পী ৰেইনি ফুকনৰ জ্যোতি সংগীতে সকলোকে আপ্লুত কৰে। সভাৰ আৰম্ভণিতে মহিলা সমিতিৰ সদস্যাসকলে এক সমূহীয়া প্ৰাৰ্থনা কাৰ্যসূচীৰ সম্পাদনৰ লগতে প্ৰেক্ষাগৃহৰ চৌহদত গছপুলি ৰোপণৰ কাৰ্যসূচীৰে অনুষ্ঠান শুভাৰম্ভ কৰে স্থানীয় বিশিষ্ট ব্যক্তি কনক হাজৰিকাই।

# নাৰী সৱলীকৰণৰ ওপৰত আলোচনা-চক্ৰ ৰিতম পুথিভঁৰাল শুৱালকুছি




**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** বৰ্তমান বৃহত্তম শুৱালকুছি অঞ্চলৰ এটা পৰিচিত নাম হৈ পৰিছে ‘ৰিতম পুথিভঁৰাল’ নৱ-প্ৰজন্মই ম’বাইলতব্যস্ত হৈ থকা সময়ত এচাম ছাত্ৰ-ছাত্ৰীক কিতাপ পঢ়াৰ প্ৰতি আকৃষ্ট কৰাৰ বাবেপুথিভঁৰালটোৱেপালন কৰা ভূমিকাক সকলোৱে একেমুখে প্ৰশংসাও আদৰণী জনাই আহিছে। এই ক্ষেত্ৰত শুৱালকুছিৰ এজন পৰিচিত বহুমুখী প্ৰতিভাশালী ব্যক্তিশিক্ষক তথা নাট্যকাৰবিকাশ কলিতাৰ ত্যাগ স্বীকাৰ কৰিব লাগিব। নিজৰ একমাত্ৰ সন্তানক অকালতে হেৰুৱাই ভাঙি নপৰি সেই সন্তানৰ নামত তাৰ কোঠাতে ডাঙৰকৈ এটি পুথিভঁৰাল সজাই ৰাইজৰ বাবে উচৰ্গা কৰে। সৰুৰে পৰা সাহিত্য-সংস্কৃতিৰ প্ৰতি ধাউতি থকা ৰিতমে কম দিনৰ ভিতৰতে নাটক-কবিতাৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল, কিন্তু নিষ্ঠুৰ নিয়তিয়ে তেওঁক আমাৰ মাজৰ পৰা অকালতে কাঢ়ি নিলে। দুখ-দৈন্য-ক্লিষ্টৰে ভৰা সংসাৰ মৰুদ্যানৰ নিৰস উদ্যানক সৰস উদ্যানলৈ ৰূপান্তৰিত কৰি বিকাশ কলিতাই পুথিভঁৰালটো সৰু ল’ৰা-ছোৱালী, স্কুলীয়া ছাত্ৰ-ছাত্ৰী লগতে সকলো শ্ৰেণীৰ লোকে পঢ়িব পৰা ব্যৱস্থা কৰাৰ উপৰিও প্ৰতি মাহৰ ১৬ তাৰিখে বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা-চক্ৰ অনুষ্ঠিত কৰি আহিছে। এইবাৰ মাৰ্চ মাহৰ ১৬/০৩/২০২৫ শুৱালকুছি শাখা লেখিকা সংস্থাৰ সভানেত্ৰী নীলিমা দাসৰ নেতৃত্বত নাৰী সৱলীকৰণৰ ওপৰত আলোচনা-চক্ৰ অনুষ্ঠিত হয়। তাত লেখিকা সংস্থাৰ সম্পাদক-লেখিকাসকলৰ উপৰিও কেইবাগৰাকী বিভিন্ন ঠাইৰ লেখিকা উপস্থিত থাকে। নাৰী সুৰক্ষা, আত্মনিৰ্ভৰশীলতা, সম অধিকাৰ ওপৰত সকলোৱে মনোভাৱ প্ৰকাশ কৰি গীত-মাত-কবিতাৰে অনুষ্ঠানতো জীপাল কৰি তোলে।

# কেৱল পৰ্যটকৰ হাতপুথি হৈ নথকা এখন গ্ৰন্থ

**■ মদাৰজ্যোতি**
উত্তৰ পেটবঢ়া

কাহিনীৰ প্ৰতি মানুহৰ আকৰ্ষণ অতীজৰেপৰা। কাহিনীৰ মাজেৰে কল্পনাৰ ভ্ৰমণে পাঠক বা শ্ৰোতাক দিয়ে আমোদ। তাতে যদি কাহিনীৰ বাস্তৱ ক্ষেত্ৰ ভ্ৰমণৰ বাসনা পূৰ্ণ হয় তেন্তে সেই সুখ আন কাৰো স’তে তুলনা নহয়। এইক্ষেত্ৰত যদিহে কাহিনী ঐতিহাসিক আৰু কিংবদন্তিমূলক হয়, ভ্ৰমণৰ টান বাঢ়ে বেছিসংখ্যকৰেই।

মৰিগাঁও জিলা নানা কিংবদন্তিমূলক আৰু ঐতিহাসিক সমলেৰে ভৰপূৰ। শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰে মহান পুৰুষৰ জন্মস্থান, একালত বঘৰাৰ ৰজা জয়ধ্বজ সিংহই সপোনত ঈশ্বৰৰ দৰ্শন পাই বৰভুঁই পাহাৰৰ গুহাত আৱিস্কাৰ কৰা অনন্ত মূৰ্তি, বীৰ জোঙাল বলহুৰ সৈতে নিবিড় সম্পৰ্ক থকা চহৰী ৰাজ্যৰ প্ৰজাৰ অন্যতম ধৰ্মীয় প্ৰাণকেন্দ্ৰ মা বসুন্ধৰী থান, তিৱা জনগোষ্ঠীৰ প্ৰাচীন সাতোৰজা-পাঁচোৰজাৰ অন্যতম শক্তিশালী গোভা ৰাজ্যৰ অংশস্বৰূপ ঐতিহাসিক খলা ৰাজ্যৰ শিলচাং, ৰামায়ণ মহাকাব্যৰ কেন্দ্ৰীয় চৰিত্ৰৰ অন্যতম সীতা আৰু ৰাম-সীতাৰ পুত্ৰদ্বয় লৱ-কুশৰ লোক-বিশ্বাস অনুসৰি জন্মস্থান সীতা জখলা, নৰকাসুৰে কঢ়িয়াই অনা আৰ্য-সংস্কৃতিৰ পূৰ্বাপৰ চলি অহা প্ৰধান আৰাধ্য দেৱতা শিৱৰ আৰাধনাৰ এক অন্যতম স্থান দেওশাল চাৰিভাই শিৱমন্দিৰ, কিংবদন্তি অনুসৰি জোঙালবলহুৱে চৰণ ধোৱা বা শিৱই চৰণ ৰখা পাঁচ সংখ্যাকৃতিৰ ঐতিহাসিক চাৰণবিল, মহা-শিৱৰাত্ৰিৰ দিনা বহু পূণ্যৱান লোকে ধ্যানৰত অৱস্থাত দৰ্শন পোৱা দেৱাদিদেৱ শিৱ বা ৰামায়ণৰ ৰাৱণ-জটায়ুৰ যুদ্ধত জটায়ুৰ কটা পাখি সৰি পৰা আমচৈৰ শিৱকুণ্ড, কুমৈ ৰজাৰ পৰা তেতেলীয়াৰ ৰজা ৰণজয় সিংহই যৌতুকৰূপে লাভ কৰা তিৱা লোক-সংস্কৃতিৰ অন্যতম উৎসৱ উঁযা-বৰত আৰু মাজুলীৰ মুখাশিল্পতকৈয়ো প্ৰাচীন মুখাশিল্প, ৰাজতন্ত্ৰৰ গৌৰৱোজ্জ্বল অতীতগাথাৰে তিৱাৰজা জোঙাল বলহুৰ গড়, ৰাজনন্দিনী পবিতৰাৰ স্মৃতিবিজড়িত পৃথিৱীৰ ভিতৰতে সৰ্বাধিক ঘনত্বত গঁড় বাস কৰা মায়ং অঞ্চলৰ পবিতৰা অভয়াৰণ্য, মানৱ সভ্যতাত মুদ্ৰাৰ প্ৰচলনৰ পূৰ্বৰ বিনিময় প্ৰথাৰ প্ৰচলন বুকুত সামৰি আজিও আন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰা; পাহাৰৰ মামা-মামীহঁতে ভৈয়ামৰ জোনবিলত বিনিময় মেলাত অংশগ্ৰহণ কৰাৰ ঐতিহ্যৰে চহকী বিনিময়ৰ হাট জোনবিল, বঘৰাৰ ৰাজকুমাৰীক বিবাহ কৰি মায়ঙৰ ৰাজকুমাৰ বৰযাত্ৰীসহিতে উভতাৰ পথত প্ৰচণ্ড বতাহ-ধুমুহা আৰু ভুঁইকঁপত পাহাৰৰ গুহাত আশ্ৰয় লোৱা আৰু পাহাৰৰ বিশাল শিলাখণ্ডই হেঁচি ধৰাত সকলো মৃত্যু হোৱা— ৰাতি ৰাতি গাভৰুৰ কান্দোনৰ শব্দ শুনা, শিলৰ টুকুৰাবোৰত টোকৰ দিলেই সুকীয়া সুকীয়াকৈ বাদ্য-যন্ত্ৰ-ডবা-কাঁহৰ মাত শুনিবলৈ পোৱা কইনাকন্দা পাহাৰ, ভূমিস্থ নহৈ নৌকাস্থ হোৱা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান আঁহতগুৰি, অন্তহীন ৰূপ-কথা আৰু যাদু-মন্ত্ৰৰ দেশ মায়ং তথা মায়ঙৰ সংগ্ৰহালয় আৰু গৱেষণাকেন্দ্ৰ, অষ্টাদশ শতিকাত প্ৰতিষ্ঠা লাভ কৰা নৱবৈষ্ণৱ ধৰ্মৰ পীঠস্থান তেলাহীৰ শ্ৰীশ্ৰী দৌলগোবিন্দ মন্দিৰ, কাজলীমুখ-গুৱাহাটী পথৰ কাষত থকা মধ্যযুগৰ বুলি অনুমান কৰা বুঢ়া মায়ঙৰ শিলালিপি আৰু কলিত প্ৰলয়ৰ সংকেট লৈ ৰৈ থকা কাছশিলা পাহাৰ, দশম শতিকাৰ বুলি অনুমান কৰা বহাৰ ঐতিহাসিক শ্ৰীশ্ৰীগণেশ মন্দিৰ, মহাভাৰতৰ পঞ্চপাণ্ডৱ আৰু মাতৃৰ বনবাসৰ কালত উপস্থিতিৰ লোক-বিশ্বাস বিজড়িত ধৰমতুলৰ শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ, ভাওনা সংস্কৃতিৰ অন্যতম আকৰ্ষণকেন্দ্ৰ চৰাইবাহীৰ কমিটি ভাওনা, ১৬৭২ চনত প্ৰতিষ্ঠা লাভ কৰা তথা দৰ্শনমাত্ৰেই ফল লাভ কৰা বুলি লোক-বিশ্বাসৰ থলী দন্দুৱাৰ ৰংমন আউলিয়া দৰগাহ শ্বৰিফ, চৰকাৰৰ সদিচ্ছা জাগিলে পৰ্যটনৰ আকৰ্ষণ হ’ব পৰা আহোম স্বৰ্গদেৱে প্ৰশাসন চলাবৰ সুব্যৱস্থা কৰিবৰ নিমিত্তে বুঢ়াগোহাঁইৰ




বঙহক সংস্থাপিত কৰা জাগীচকী বা দুসুঁতিমুখ, পুত্ৰ বিচ্ছেদৰ বিৰহত দুখুনী মাতৃৰ দুচকুৰে বৈ অহা চকুলো দুটি সুঁতি হৈ— স্বপ্না-মজিকা নিজৰা নাম লৈ বৈ থকা জাগীৰোডৰ ছগ্ৰাচল পাহাৰ আৰু নিজৰা উদ্যান, প্ৰায় এবিঘা মাটিৰে আগুৰা এজোপা বটবৃক্ষৰ তলত অৱস্থিত শ’লমাৰি গণেশ মন্দিৰ, মাঘবিহুৰ অন্যতম আকৰ্ষণ মধ্য অসমৰ মৰিগাঁও জিলাৰ অন্তৰ্গত দমাল-বাৰপূজীয়া-আঁহতগুৰি-বৈদ্যবড়ি-চকাবহা-জলাহ-ৰণথলী-পছতীয়া-ভুৰবন্ধা-সিধাবাৰী-চৰাইবাহী-মিকিৰভেটা-কপাহেৰা আদি ঠাইৰ ম’হযুঁজ, ধৰমতুলৰ পৰম্পৰাগত মৃতশিল্প, মায়ঙৰ পৰা কিছু দূৰৰ ডলফিন ভিউ পইন্ট ‘চনকা’, পৰিৱেশ সুৰক্ষা মঞ্চৰ সপোন আৰু তিনিটা লোক-উৎসৱৰ থলী —মুঠ আঠাইশটা পৰ্যটনৰ থলী বিষয়ক লেখাৰে সমৃদ্ধ লেখক-কবি-সাংবাদিক মণ্টু কুমাৰ হাজৰিকাৰ গ্ৰন্থ “পৰ্যটনত মৰিগাঁও” কেৱল পৰ্যটকৰ বাবেইপ্ৰয়োজনীয় হাতপুথি হৈ থকা নাই। গ্ৰন্থখনে বুৰঞ্জী, ইতিহাস, কিংবদন্তি আৰু বৰ্তমানৰ পৰিৱেশকো সামৰি লোৱাত সকলো স্তৰৰ পাঠকৰ বাবেই উপাদেয় হৈ উঠিছে।

গ্ৰন্থখনৰ প্ৰকাশক নগাঁৱৰ হেঙুল হাইতাল।।

**ম’বাইল ঃ** ৬০০২৫৭৬০৯৭

# ফুলৰ দৰে কথাবোৰ

**■ বনশ্ৰী শৰ্মা**
ছাত্ৰী, বি.বৰুৱা কলেজ, অসমীয়া বিভাগ

‘কিয় এনেকুৱা হয়’ ভালবোৰ নেওচি বেয়াবোৰেই সদায় কিয় ছানি ধৰিব খোজে মানুহৰ মন? কিয় বেয়াবোৰে সদায়েই ঢাকি পেলাব খোজে ভাল কথাবোৰ। সূৰ্যফুলৰ দেশলৈ (গায়ত্ৰী প্ৰান্তিক শৰ্মা)

কেতিয়াবা কিছুমান কিতাপ পঢ়ি থকা সময়তে হঠাতে কোনো এটা বিশেষ বাক্যত আমাৰ চকু থমকি ৰয়, ৰৈ যায় আমাৰ মনটোও আৰু সেই একেটা বাক্যকে দোহাৰি বাৰে বাৰে আমাৰ নিজৰ অথবা আমাৰেই চিনাকি বহুলোকৰ জীৱনৰ সৈতে ৰজিতা খুৱাই চাওঁ। গায়ত্ৰী প্ৰান্তিক শৰ্মাৰ ‘সূৰ্যফুলৰ দেশলৈ’ পঢ়ি থকা সময়চোৱাতো এইদৰে ভাবিবলৈ বাধ্য হোৱা বাক্যসমূহৰ মাজত ‘কিয় এনেকুৱা হয়। ভালবোৰ নেওচি বেয়াবোৰেই সদায় কিয় ছানি ধৰিব খোজে মানুহৰ মন। কিয় বেয়াবোৰে সদায়েই ঢাকি পেলাব খোজে ভাল কথাবোৰ।’ এই বাক্যটোও অন্যতম। জীৱনত আপুনি দহটা ভাল কাম কৰক কিন্তু তাৰ বাবে প্ৰশংসা বা হাত চাপৰিৰ সংখ্যা তেনেই নগণ্য আনকি কেতিয়াবা শূণ্যও হয় এই প্ৰশংসা বা হাত চাপৰি। কাৰণ আনৰ ভাল, গুণ, সফলতা ইত্যাদি খোলা মনেৰে স্বীকাৰ কৰিব নোৱাৰাটো মানুহৰ এক সহজাত প্ৰবৃত্তি। কিন্তু জীৱনত বহুতো ভাল কাম কৰাৰ পাছতো অনিচ্ছাকৃতভাৱেও যদি আপোনাৰ দ্বাৰা এটা ভুল সংঘটিত হয়, সেই ভুলটোৱে পূৰ্বৰ সকলোবোৰ ভাল মুহূৰ্ততে ছানি ধৰিব, শেষ কৰি দিব আপুনি সদায় কৰি অহা ভালবোৰ। আকৌ, কেতিয়াবা এনেকুৱাও হয় যে বেয়া সময়, বেয়া খবৰবোৰৰ বাবেই ভাল খবৰ, ভাল কথাবোৰ আমি আকোঁৱালি ল’ব নোৱাৰোঁ, আশা কৰিব নোৱাৰোঁ ভাল সময়ৰ। কাৰণ আমি সৰুৰে পৰা দেখি অহা সমাজখনেই যে তেনেকুৱা, মানুহৰ হাজাৰ ভালকো আওকাণ কৰি ভুলবোৰ খোচৰাতেই ব্যস্ত আমি আৰু আমাৰ সমাজ। কিন্তু এই সমাজ কোনে সৃষ্টি কৰিছে? আমিয়েই নহয় জানো? প্ৰথমে আমি নিজক শুধৰাব লাগিব, তাৰপিছত আমাৰ আশে-পাশে থকা সকলক। লাহে-লাহে দেখিব সম্পূৰ্ণ সমাজখন নহ’লেও কিছু সংখ্যকেটো বেয়াতকৈ ভালক বেছি প্ৰাধান্য দিছে। আপোনাৰ আৰু মোৰ পৰাই এই যাত্ৰাৰ আৰম্ভ কৰা হওকচোন, য’ত বেয়াতকৈ ভালৰ শক্তি বেছি, য’ত ভালৰ ওপৰত বেয়াবোৰে ৰাজত্ব কৰিব নোৱাৰে, ভালবোৰ নেওচি বেয়াবোৰে মানুহৰ মন ছানি ধৰিব নোৱাৰে, য’ত বেয়াবোৰে কেতিয়াও ঢাকি ধৰিব নোৱাৰে ভাল, ইতিবাচক, ফুলৰ দৰে কথাবোৰ। কাৰণ মুখেৰে যিমান অমান্য কৰিলেও ফুলৰ সুগন্ধি সকলোৰে প্ৰিয়, সেয়েহে ভাল কথা, ভাল খবৰবোৰো বিয়পাই দিয়ক ফুলৰ সুগন্ধিৰ দৰে, আকোঁৱালি লওক হেঁপাহেৰে।

জনতাৰ চৰকাৰ | my GOV

অসম চৰকাৰ



ছাত্ৰী সবলীকৰণৰ দিশে এখোজ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

আগন্তুক তিনিটা বৰ্ষত এই আঁচনিৰ জৰিয়তে **১০ লাখ** শিক্ষাৰ্থীক সাঙুৰি লোৱাৰ লক্ষ্য

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰা ছাত্ৰীসকলৰ বাহিৰে উচ্চতৰ মাধ্যমিক, স্নাতক (বি এ/ বি এছ চি/ বি কম) আৰু স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰীসকলক উদগনি যোগোৱা এক অভিলাষী আঁচনি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

## উদ্দেশ্যসমূহ

- উচ্চ শিক্ষাত কন্যা শিক্ষাৰ্থীৰ নামভৰ্তি বৃদ্ধি কৰা
- ৰাজ্যৰ অধিক সংখ্যক ছাত্ৰীৰ বাবে উচ্চ শিক্ষা লাভৰ বাট প্ৰশস্ত কৰা
- বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত অৰিহণা যোগোৱা

## সুবিধাসমূহ

- ধনী-দুখীয়া নিৰ্বিশেষে সকলো পৰিয়ালৰ কন্যাৰ বাবে উপলব্ধ
- একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,০০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১০,০০০ টকা
- স্নাতক (বি এ/ বি এছ চি/ বি কম) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ১,২৫০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ১২,৫০০ টকা
- স্নাতকোত্তৰ (এম এ/ এম এছ চি/ এম কম/ বি এড) প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীৰ বাবে মাহিলি ২,৫০০ টকাকৈ সৰ্বাধিক ১০ মাহলৈ বছৰত মুঠ ২৫,০০০ টকা

## নিযুত মইনা আঁচনি হৈছে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে গ্ৰহণ কৰা এক সৰ্বাংগীণ পদক্ষেপ

- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিত কৰা
- পছন্দ আৰু অৰ্থনৈতিক স্বাধীনতাৰ বাবে শিক্ষাৰ জৰিয়তে কন্যা শিক্ষাৰ্থীসকলক সবল কৰি তোলা
- শাৰীৰিক, মানসিক আৰু আৱেগিক পৰিপক্কতাৰ পাছতহে বিবাহ সম্পন্ন কৰা
- মহিলাৰ আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে কিশোৰী অৱস্থাৰ মাতৃত্ব হ্ৰাস কৰা

## যোগ্যতাৰ চৰ্ত

- অসমত বাস কৰা সকলো কন্যা শিক্ষাৰ্থী এই আঁচনিৰ বাবে যোগ্য
- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাহিৰে) আৰু চাকৰিয়াল বি এড শিক্ষাৰ্থীসকলৰ বাবে আঁচনিৰ সুবিধা উপলব্ধ নহ'ব
- মন্ত্ৰী, সাংসদ, বিধায়কৰ কন্যা এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব
- বাণীকান্ত কাকতি বঁটা (প্ৰজ্ঞান ভাৰতী আঁচনি)ৰ অধীনত স্কুটাৰ লাভ কৰা ছাত্ৰীসকল এই আঁচনিৰ বাবে যোগ্য বিবেচিত নহ'ব। বাণীকান্ত কাকতি বঁটা পৰিহাৰ কৰা ছাত্ৰীৰ বাবেহে এই আঁচনি প্ৰযোজ্য হ'ব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 4943/24/21-Mar-25

# সৌজন্যতা ঃ এক বিলুপ্তপ্ৰায় সামাজিক মূল্যবোধ

■ হিমাংশু ৰণ্জন ভূঞা
জামুগুৰিহাট

সৌজন্যতা এসময়ত আমাৰ সমাজৰ আভিজাত্য আৰু সংস্কৃতিৰ পৰিচয় আছিল। কিন্তু আজিৰ এই আধুনিক যুগত ইয়াৰ প্ৰয়োগ আৰু মূল্য দুয়োটা হ্ৰাস পাই আহিছে। সাধাৰণ কথাবোৰ যেনে ‘ধন্যবাদ’ জনোৱা, চিনাকি কাৰোবাক লগ পালে বা দেখিলে মাত এযাৰ দিয়া, ঘৰলৈ কোনোবা আলহী আহিলে মাত দিয়া বা ভালকৈ কথা-বতৰা পতা বা বৃদ্ধ বা তেনে কোনো ৰোগাগ্ৰস্তজনক বহা আসনখন এৰি দিয়া- এইবোৰ আজিৰ দ্ৰুতগতি জীৱনত প্ৰায় লোপ পোৱাৰ দৰে হৈছে। ডিজিটেল যোগাযোগ, স্বাৰ্থপৰতা, আৰু ব্যস্ততাৰ মাজত সৌজন্যতাৰ গুৰুত্ব আজিৰ মানুহে পাহৰি আহিছে। অথচ, ইয়াৰ প্ৰয়োজনীয়তা আজিও সমানে আছে, কিয়নো ই সমাজত সম্প্ৰীতি, সন্মান, আৰু একতাৰ ভাৱ জগাই তোলে।

আমি সকলোৱেই দেখি আহিছোঁ- ঘৰলৈ আলহী আহিলে আজিৰ অধিকাংশ শিশুৱে ওলাই আহি কিদৰে মাতবোল কৰিব লাগে, বহিবলৈ কেনেদৰে অনুৰোধ জনাব লাগে, জ্যেষ্ঠজনৰ প্ৰতি কেনেভাৱে সন্মান প্ৰদৰ্শন কৰিব লাগে- এই কথাবোৰ নাজানে। অৰ্থাৎ অভিভাৱকসকলে শিশুসকলক এই সাধাৰণ সৌজন্যতা বা শিষ্টাচাৰখিনিও শিকোৱা দেখা নাযায়। সৌজন্যতাৰ এই হ্ৰাস হঠাতে হোৱা নাই। ইয়াৰ পিছত আছে সমাজৰ ধীৰে ধীৰে হোৱা পৰিৱৰ্তন। নগৰীকৰণ, পৰিয়ালৰ গঠনৰ পৰিৱৰ্তন, ডিজিটেল মাধ্যমৰ প্ৰভাৱ আৰু মূল্যবোধৰ সলনি-এইবোৰে মিলি সৌজন্যতাৰ অভাৱক আগুৱাই আনিছে। আজিৰ জীৱনত মানুহৰ ধৈৰ্য্য কমি আহিছে আৰু সেয়া প্ৰতিটো ক্ষেত্ৰত দেখা যায়-চহৰৰ ৰাস্তাত, কামৰ ঠাইত বা পৰিয়ালৰ মাজতো। এটা সাধাৰণ ‘শুভদিন’ৰ শুভকামনা বা এটা হাঁহিৰ অভিবাদন আজিৰ সমাজত বিৰল হৈ পৰিছে।

আজিৰ কথোপকথনত সৌজন্যতাৰ অভাৱ বিশেষকৈ লক্ষ্য কৰিবলগীয়া বিষয়। কথাবোৰ অধিক প্ৰত্যক্ষ হৈ আহিছে আৰু ইয়াৰ ফলত সৌজন্যতাৰ অভাৱ দেখা যায়। মানুহে কামৰ সুবিধাৰ বাবে সাধাৰণ শিষ্টাচাৰ এৰি দিছে। ‘অনুগ্ৰহ কৰি’, ‘ক্ষমা কৰিব’, বা ‘মাফ কৰিব’ৰ দৰে শব্দবোৰ বিশেষকৈ ডেকা-ডেকেৰীৰ মাজত কমি আহিছে। ইয়াৰ অৰ্থ এই নহয় যে মানুহ ইচ্ছাকৃতভাৱে অভদ্ৰ হৈছে, বৰং সৌজন্যতাক তেওঁলোকে গুৰুত্ব নিদিয়াটোৱেই অভ্যাস হৈ পৰিছে। ইয়াৰ প্ৰভাৱ গভীৰ, কিয়নো এই সৰু সৰু শিষ্টাচাৰৰ অভাৱত মানৱীয় সম্পৰ্কৰ উষ্ণতা হ্ৰাস পাইছে। প্ৰযুক্তি, বিশেষকৈ সামাজিক মাধ্যম আৰু তাৎক্ষণিক বাৰ্তা আদান-প্ৰদানে মানুহৰ কথোপকথনৰ ধৰণ সলনি কৰিছে। ডিজিটেল মাধ্যমত যোগাযোগ সহজ হৈছে, কিন্তু ইয়াৰ লগত মানৱীয় স্পৰ্শ কমি আহিছে। বাৰ্তাত অভিবাদন নথকা, বা উত্তৰত সঁহাৰি নথকা আজি সাধাৰণ হৈ পৰিছে। অনলাইন মাধ্যমৰ বেনামীত্বই মানুহক অধিক অভদ্ৰ হ’বলৈ উৎসাহিত কৰিছে। অনলাইন আলোচনাত সহজেই বিবাদৰ সৃষ্টি হয়, য’ত সন্মান আৰু শিষ্টাচাৰৰ কোনো স্থান নাথাকে। ই এক পৰস্পৰবিৰোধী অৱস্থা-মানুহ আজি আগতকৈ অধিক সংযুক্ত, কিন্তু পাৰস্পৰিক সন্মান আৰু দয়াৰ পৰা অধিক বিৰক্ত।

পৰিয়ালৰ গঠনৰ পৰিৱৰ্তনেও সৌজন্যতাৰ হ্ৰাসত অৰিহণা যোগাইছে। আগতে শিশুৱে যুটীয়া পৰিয়ালত ডাঙৰ-দীঘল হৈ শিষ্টাচাৰ আৰু নীতি-নিয়ম শিকিছিল। বয়স আৰু অভিজ্ঞতাক সন্মান কৰাটো সমাজৰ এক অংগ আছিল। কিন্তু সৰু পৰিয়াল আৰু ব্যস্ত জীৱনশৈলীৰ বাবে আজিৰ শিশুৱে প্ৰায়েই ককাক-আইতাকসকলৰ সৈতে প্ৰত্যক্ষ সম্পৰ্কৰ পৰা বঞ্চিত হৈছে। ব্যক্তিগত সফলতা, কৰ্মজীৱনৰ উচ্চাকাংক্ষাই সন্মান, ধৈৰ্য্য, আৰু দয়াৰ দৰে মূল্যবোধক পিছপেলাই থৈছে। শিশুকালত এই মূল্যবোধৰ ভেটি নথকা হ’লে প্ৰাপ্তবয়স্ক হৈ সৌজন্যতা প্ৰদৰ্শন কৰাটো কঠিন হৈ পৰে।

সাধাৰণ ৰাজহুৱা ঠাইবোৰত সৌজন্যতাৰ অভাৱ যেন আজিৰ সমাজৰ বাস্তৱ প্ৰতিচ্ছবি হৈ পৰিছে। ৰাস্তাই ঘাটে সাধাৰণ বিষয় সম্পৰ্কীয় খং আৰু উত্তেজনা, দোকান বা বেংকৰ কাউণ্টাৰত ধৈৰ্য্যৰ অভাৱ-এইবোৰত পৰস্পৰৰ প্ৰতি সদয় হোৱাৰ অভাৱ স্পষ্ট। মানুহে আজিকালি চিনাকি বা প্ৰয়োজনীয় ব্যক্তিৰ পৰা চকু আঁতৰাই থাকিবলৈ পছন্দ কৰে। সমূহীয়া কল্যাণৰ ভাৱনাৰ ঠাইত ব্যক্তিগত সুবিধাক অগ্ৰাধিকাৰ দিয়া হৈছে। কামৰ ঠাইতো এই পৰিৱৰ্তন দেখা যায়, য’ত শিষ্টাচাৰক কেতিয়াবা আনুষ্ঠানিকতা বুলি গণ্য কৰা হয়, কিন্তু ইয়াক সন্মানৰ প্ৰয়োজনীয় অংগ হিচাপে গুৰুত্ব নিদিয়া হয়। ফলাফল আৰু দক্ষতাক অগ্ৰাধিকাৰ দিয়া হৈছে, কিন্তু ইয়াৰ ফলত সৌজন্যতাৰ পৰিৱেশ গৌণ হৈ পৰিছে।

শিক্ষাই সমাজৰ মূল্যবোধ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, কিন্তু আজিৰ শিক্ষা ব্যৱস্থাত শিষ্টাচাৰ আৰু সন্মানৰ দৰে দক্ষতাক গুৰুত্ব দিয়া কমি আহিছে। শিক্ষানুষ্ঠানবোৰে উচ্চ দক্ষতাৰ পেছাদাৰী ব্যক্তিৰহে সৃষ্টি কৰিছে, কিন্তু বহুতে সাধাৰণ সৌজন্যতাৰ অভাৱত ভুগিছে। যেতিয়া আজিৰ উঠি অহা চাম পেছাদাৰী বা সামাজিক পৰিৱেশত প্ৰৱেশ কৰে, তেতিয়া সন্মান আৰু শিষ্টাচাৰৰ প্ৰত্যাশা পূৰণ কৰিবলৈ অসুবিধা হয়। শিক্ষানুষ্ঠানবোৰে সৌজন্যতাৰ পাঠ অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজন, কেৱল ব্যক্তিত্ব বিকাশৰ বাবেই নহয়, বৰং চৰিত্ৰ গঠনৰ এক অংগ হিচাপে।

সৌজন্যতাৰ এই অভাৱৰ মনস্তাত্ত্বিক প্ৰভাৱো আছে। সৰু সৰু শিষ্টাচাৰে সামাজিক বান্ধোন দৃঢ় কৰে, মানসিক চাপ কমায়, আৰু সমাজত সম্প্ৰীতিৰ ভাৱ জগায়। যেতিয়া মানুহে সন্মানিত আৰু মূল্যৱান বুলি অনুভৱ কৰে, তেতিয়া তেওঁলোকে একে আচৰণ প্ৰদৰ্শন কৰিবলৈ আগবাঢ়ে। কিন্তু সৌজন্যতাৰ অভাৱে হতাশা, সামাজিক বিচ্ছিন্নতা আৰু বিৰোধৰ সৃষ্টি কৰে। আজিৰ জীৱনত ইতিমধ্যে নানান সামাজিক আৰু অৰ্থনৈতিক চাপ আছে আৰু সৌজন্যতাৰ অভাৱে এই চাপ আৰু বঢ়াই তোলে। এটা সাধাৰণ ‘ধন্যবাদ’ বা এটা সৰু সদয়তাৰ ইংগিতে কাৰোবাৰ দিনটো উজ্বল কৰিব পাৰে, কিন্তু এই সৰু কাৰ্যবোৰ আজিৰ ব্যস্ত জীৱনত উপেক্ষিত হৈছে।

সৌজন্যতাৰ এই হ্ৰাসৰ মাজতো ইয়াৰ পুনৰুদ্ধাৰৰ আশা নোহোৱা হৈ যোৱা নাই। বৰ্তমান পৰিস্থিতিত নিশ্চিতভাৱে ইয়াৰ দায়িত্ব ব্যক্তি, পৰিয়াল, শিক্ষানুষ্ঠান, আৰু সমাজৰ ওপৰত। পিতৃ-মাতৃ আৰু অভিভাৱকে শিশুক সৌজন্যতাৰ মূল্য শিকোৱাটো প্ৰয়োজন, কেৱল কথাৰে নহয়, দৈনন্দিন জীৱনত ইয়াৰ প্ৰয়োগৰ জৰিয়তে। শিক্ষানুষ্ঠানবোৰে ছাত্ৰ-ছাত্ৰীৰ মাজত সন্মানজনক আচৰণ আৰু সহানুভূতিৰ প্ৰয়োজনীয়তাৰ কথাবোৰ বিশেষভাৱে প্ৰচাৰ কৰিব লাগে। কামৰ ঠাইবোৰত সৌজন্যতাৰ পৰিৱেশ সৃষ্টি কৰিব লাগে, য’ত ইয়াক এক মৌলিক প্ৰত্যাশা হিচাপে গণ্য কৰা হয়। ব্যক্তিজনে নিজৰ দৈনন্দিন জীৱনত সৌজন্যতাৰ প্ৰয়োগ কৰিবলৈ সচেতন প্ৰয়াস কৰিব লাগে। সৌজন্যতাৰ গুৰুত্ব ব্যক্তিগত সম্পৰ্কৰ পৰা আৰম্ভ হৈ সমাজৰ সামগ্ৰিক সুস্থতালৈকে বিস্তৃত। যি সমাজত মানুহে ইজনে সিজনক সন্মান কৰে, ইজনে সিজনৰ উপস্থিতিক স্বীকাৰ কৰে আৰু দয়া, ক্ষমা আদি সদ্ গুণবোৰ দেখুৱায়-এনে সমাজত সম্প্ৰীতি আৰু সহযোগিতাৰ ভাৱনা জাগ্ৰত হয়। সৌজন্যতাৰ পুনৰুদ্ধাৰৰ বাবে ডাঙৰ কাৰ্যৰ প্ৰয়োজন নাই-ইয়াৰ আৰম্ভণি হ’ব পাৰে সৰু সৰু কাৰ্যৰ জৰিয়তে। কাৰোবাৰ কথা মনোযোগেৰে শুনা, উৎসাহৰ কথা কোৱা, বা কাৰোবাক এটা উষ্ণ সম্ভাষণ জনোৱা-এই সৰু কাৰ্যবোৰে সন্মান আৰু শিষ্টাচাৰৰ সংস্কৃতি পুনৰ সৃষ্টি কৰিব পাৰে।



মূলতঃ, সৌজন্যতা কেৱল সামাজিক নীতি-নিয়ম মানি চলাটোৱেই নহয়, ই হ’ল অন্যৰ মানৱীয়তাৰ প্ৰতি সচেতন হোৱা। ইয়াৰ মাজত প্ৰতিফলিত হয় সহানুভূতি, বিবেচনা আৰু এই ধাৰণা যে প্ৰতিজন ব্যক্তিয়েই সন্মানৰ যোগ্য। সমাজে যিদৰে উন্নতি কৰি আছে, তাত এই মূল্যবোধবোৰক হেৰুৱাব নিশ্চয়কৈ নালাগে, যিবোৰে মানুহক বান্ধি ৰাখে। সৌজন্যতাৰ হ্ৰাস এটা উদ্বেগজনক পৰিৱৰ্তন, কিন্তু সচেতন প্ৰচেষ্টাৰ জৰিয়ত ইয়াক পুনৰুদ্ধাৰ কৰিব পাৰি। শিষ্টাচাৰী হোৱা, অন্যক দয়া দেখুওৱা, আৰু মৌলিক নীতি-নিয়ম মানি চলাটো প্ৰতিজন ব্যক্তিৰ একান্ত কৰ্তব্য। সৌজন্যতাৰ সমাজ এক অসাধ্য লক্ষ্য নহয়-ইয়াৰ পুনৰুদ্ধাৰৰ আৰম্ভণি কৰাটো কিন্তু সময়ৰ দাবী।

(লেখক জামুগুৰিহাটৰ পৰা প্ৰকাশিত বৈদ্যুতিন আলোচনী ‘সাম্প্ৰতিক’ৰ মুখ্য সম্পাদক)

**ম’বাইল ঃ ৮৪৮৬৪-০০১৫৭**

# ঈৰ্ষা আৰু জীৱন

■ হিয়া শৰ্মা
মঙ্গলদৈ মহাবিদ্যালয়

হিংসা কৰা মহাপাপ। হিংসাই কেৱল নিজক ধ্বংস কৰে। জীৱ-জন্তুৱেই হওঁক বা মানুহেই হওঁক কাৰো প্ৰতি মনত ঈৰ্ষা ভাৱ পুহি ৰখা উচিত নহয়। আনৰ হিত চিন্তা কৰিব নোৱাৰিলে অন্যায় কৰাও অপৰাধ। সৰুৰে পৰাই পঢ়ি আহিছোঁ ঈৰ্ষাপৰায়ণ মানুহে সমাজত স-সন্মানে জীয়াই থাকিব নোৱাৰে। গতিকে হিংসা, ঈৰ্ষা, মনৰ মলিনতা আঁতৰ কৰি সমাজ এখনত সুন্দৰকৈ জীয়াই থকা, নিজৰ লগতে আন দহজনক সহায় কৰা সেয়াহে প্ৰকৃত মানৱধৰ্ম।

কিন্তু সমাজত এনে এচাম চকু চৰহা লোক আছে যি নিজ কৰ্মৰেও আগবাঢ়ি নাযায় আৰু সন্মুখৰ দুজন আগুৱাই গ’লেও তেওঁলোকে ঈৰ্ষাত জ্বলি পকি ছাই হৈ পৰে। কোনো এজনৰ অলপ উন্নতি বা ভাল দেখিলে এনে লোকসকলে তেওঁলোকৰ কটু কথাৰে আপোনাক ধৰাশায়ী কৰি পেলাব। এই শ্ৰেণীৰ লোকসকলে সমাজখন বিনষ্ট কৰি পেলাই। এনে কিছু লোক হ’ল এখন সমাজৰ একোডাল বিষাক্ত কাঁইট। তেওঁলোকে এনেকৈ বিন্ধিব যে, যি কেইজন লোক কোনো ভাল কামৰ উদ্দেশ্যে আগুৱাই গৈছে এনে কাঁইটৰ বিষত তেওঁলোক ভাৰাক্ৰান্ত হৈ পৰিব আৰু পিছ হুহুকি যাবলৈ বাধ্য হৈ পৰিব। আৰু তাতেই এচাম তেনে বিষাক্ত, হিংসুক লোকৰ সফলতা। সন্মুখৰজন যিমানেই দুৰ্বল হৈ পৰিব দিনক দিনে তেনে কাৰ্য কৰিবলৈ তেওঁলোক উৎসুক হৈ পৰিব। প্ৰতিটো কামতে তেওঁলোকে এক অসুবিধাৰ সৃষ্টি কৰি ল’ব অৰ্থাৎ এয়া আওপকীয়াকৈ কৰা ঈৰ্ষাৰ প্ৰতিফলন। তেওঁলোক অজ্ঞাত যে এনে ঈৰ্ষাই ক্ষতি কৰিছে তেঁওলোকৰেই। সততে এনে চকুচৰহা বা আনৰ ভাল সহ্য কৰিব নোৱাৰা এচাম ব্যক্তিৰ সংস্পৰ্শৰ পৰা নিলগত থকাই শ্ৰেয়।

জীৱন যুদ্ধত জনা-নজনা বহু ঈৰ্ষা পৰায়ণ লোকৰ মাজত অকলে থিয় হ’বলৈ মনৰ দৃঢ়তা অতিকে জৰুৰী।

আমি সকলোৱে জীৱনত এনে হিংসুক ব্যক্তিৰ কবলত পৰাটো নিশ্চিত কিন্তু সেই কবলৰ পৰা নিজকে মুক্ত কৰা বা বচাই ৰখাটো হে আমাৰ কৰ্তব্য। আনৰ হিত চিন্তা কৰিব নোৱাৰিলে অহিত চিন্তা কৰাও অন্যায় বা অপৰাধ। তথাপি এচাম লোক দিনে নিশাই ব্যস্ত কেৱল আনৰ সমালোচনা, বদনাম আৰু অন্যায় কৰাত। যেতিয়া মন মগজু ব্যস্ত নাথাকে বা কৰিবলগীয়া কোনো কৰ্ম নাথাকে যেতিয়া মানুহ এলেহুৱা হয় তেতিয়া হয়টো মানুহৰ মনত এনেবোৰ অহিত চিন্তাই বাঁহ সাজে, কেনেদৰে আনৰ ক্ষতি, অন্যায় কৰিব পৰি। গতিকে আমি সদায় নিজকে ব্যস্ত ৰাখিব লাগে। সমাজৰ কাঁইটীয়া বিষ হোৱাতকৈ নিজৰ কৰ্মত মনোনিৱেশ কৰিব লাগে। ধৈৰ্য,সহ্য, একাগ্ৰতাৰে নিজ কৰ্ম কৰি যাব লাগে।

**ম’বাইল ঃ ৬০০৩৫-৪২২৪১**

# তেজপুৰত বিহু কৃষ্টি পৰিষদ অসমৰ পঞ্চম বাৰ্ষিক বিহু কৰ্মশালাৰ শুভাৰম্ভ




**চন্দন শৰ্মা, তেজপুৰ ঃ** তেজপুৰত বিহু কৃষ্টি পৰিষদ অসম শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত তেজপুৰ একাডেমী খেলপথাৰ প্ৰাঙ্গণত পঞ্চম বাৰ্ষিক বিহু নাচ আৰু ঢোল বাদন কৰ্মশালাৰ শুভাৰম্ভ হয়। উক্ত কৰ্মশালাখনি বন্তি প্ৰজ্বলন কৰি মাংগলিক নিয়মেৰে শুভাৰম্ভ কৰি ১৬ মাৰ্চৰ পৰা ৩০ মাৰ্চৰ লৈকে অনুষ্ঠিত হ’ব বুলি জানিবলৈ দিয়ে উদ্যোক্তা উত্তম দাসে। বিহু কৃষ্টি পৰিষদ অসম শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আয়োজিত পঞ্চম বাৰ্ষিক বিহু নাচ আৰু ঢোল বাদন কৰ্মশালাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহাজাতি টুৱেন্টি ফ’ৰ লাইভ চেনেলৰ স্বত্বাধিকাৰ তথা বিশিষ্ট সমাজসেৱক ড° পৰশমণি সিংহ, শোণিতপুৰ জিলা ঐক্য মঞ্চৰ সভাপতি দ্বিপেন শইকীয়া, সমাজসেৱিকা নৱনীতা হাজৰিকাৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উক্ত বিহু কৰ্মশালাত ইচ্ছুক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিবৰ বাবে ৮৮৭৬০-৪৫৪৯৮/৮০৯৯৪-৩৭৯৮০ নম্বৰত যোগাযোগ কৰি আৱেদন পত্ৰ জমা দিব পাৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

# অপৰাধৰ এক শিহৰণকাৰী নাম বিকিনী কিলাৰ চাৰ্লছ শোভৰাজ

■ কুলদীপশইকীয়া
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও

১৯৪৪ চনৰ ৬ এপ্ৰিলত ফ্ৰান্সৰ ভিয়েটনামত চাৰ্লছ শোভৰাজৰ জন্ম হয়। চাৰ্লছ শোভৰাজৰ মাক ভিয়েটনামত এখন দোকানৰ মালিক আছিল। ভিয়েটনামত শোভৰাজ বৰানী নামৰ সিন্ধী সম্প্ৰদায়ৰ এজন ভাৰতীয় ব্যৱসায়ী আছিল। শোভৰাজ বৰানী বোলা ভাৰতীয় ব্যৱসায়ীজনে শোভৰাজৰ মাকক লগ পালে দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল আৰু দুয়ো Living Relationship ত থাকিবলৈ ল'লে। তাৰপিছত ১৯৪৪ চনত শোভৰাজ বৰানী আৰু ভিয়েটনামৰ সেই মহিলাগৰাকীৰ এক পুত্ৰসন্তান জন্ম হ'ল যাৰ নাম আছিল চাৰ্লছ শোভৰাজ। চাৰ্লছ শোভৰাজৰ প্ৰকৃত নাম আছিল চাৰ্লছ গ্ৰুমুখ শোভৰাজ। শোভৰাজ বৰানী আৰু ভিয়েটনামৰ সেই মহিলাগৰাকী অৰ্থাৎ চাৰ্লছ শোভৰাজৰ মাতৃয়ে বিয়া পতা নাছিল যিহেতু তেওঁলোক দুয়োজন Living Relationship ত আছিল সেয়েহে তেওঁলোকৰ সম্পৰ্ক বৰ ভাল নাছিল। প্ৰায়ে তেওঁলোক দুজনৰ মাজত কাজিয়া লাগি থাকে। কিছুদিন পিছত শোভৰাজ বৰানীয়ে নিজ পত্নীক এৰি ভাৰতবৰ্ষলৈ গুচি আহিল। সেইসময়ত চাৰ্লছ শোভৰাজৰ বয়স বৰ কম আছিল। চাৰ্লছ শোভৰাজৰ পিতৃয়ে যেতিয়া চাৰ্লছ শোভৰাজৰ মাতৃক এৰি দিলে তেতিয়া চাৰ্লছ শোভৰাজৰ মাতৃয়ে ফ্ৰান্সৰ এজন লেফটেনেণ্ট জেনেৰেলৰ লগত চিনাকি হয় আৰু দুয়োজনৰ মাজত প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। ইয়াৰ পিছত দুয়োজন বিবাহ পাশত আবদ্ধ হয়। ইয়াৰ পিছত চাৰ্লছ শোভৰাজ মাকৰ লগত পেৰিচলৈ গুচি আহে। এনেকৈ চাৰ্লছ শোভৰাজে ফ্ৰান্সৰ নাগৰিকত্ব লাভ কৰিলে আৰু ফ্ৰান্সৰ নাগৰিক হৈ পৰিল। সেই সময়তে ফ্ৰান্সৰ সেই লেফটেনেণ্ট জেনেৰেল আৰু শোভৰাজৰ মাতৃৰ এক পুত্ৰসন্তান জন্ম হ'ল অৰ্থাৎ চাৰ্লছ শোভৰাজৰ এটা সতীয়া ভায়েকৰ জন্ম হ'ল। সৰুৰে পৰা চাৰ্লছ শোভৰাজে লক্ষ্য কৰিছিল যে তেওঁৰ প্ৰকৃত পিতৃ শোভৰাজ বৰানীয়ে চাৰ্লছ শোভৰাজক ঠগি ভাৰতবৰ্ষলৈ পলাই গৈছিল আৰু তেওঁৰ দ্বিতীয় পিতৃয়েও তেওঁৰ বৰ এটা চোৰাচিতা নকৰে। নিজৰ সন্তান জন্ম হোৱাৰ পিছত চাৰ্লছ শোভৰাজৰ দ্বিতীয় পিতৃয়েও তেওঁক এৰাই চলিবলৈ ল'লে কাৰণ চাৰ্লছ শোভৰাজ তেওঁৰ সতীয়া পুত্ৰ আছিল। সেইকাৰণে চাৰ্লছ শোভৰাজ ঘৰত প্ৰায় নথকা হৈছিল আৰু অপৰাধ জগতত সোমাই পৰিল। প্ৰথম অপৰাধটো আছিল চাৰ্লছ শোভৰাজে পেৰিছত এখন গাড়ী চুৰ কৰিছিল। গাড়ী চুৰ কৰি পুলিচৰ হাতত ধৰা পৰি চাৰ্লছ শোভৰাজে ৮ মাহ কাৰাবাস খাটিবলগীয়া হৈছিল। চাৰ্লছ শোভৰাজ জেলত থাকোঁতে এজন মানুহে জে'ললৈ গৈ জে'লৰ কয়দীসকলক শুদ্ধ পথলৈ অনাৰ চেষ্টা কৰিছিল। চাৰ্লছ শোভৰাজ সেই মানুহজনৰ প্ৰতি খুব আকৃষ্ট হৈছিল। ৮ মাহ কাৰাবাস খাটি চাৰ্লছ শোভৰাজ জে'লৰ বাহিৰলৈ আহি সেই মানুহজনক লগ ধৰিলে সেই মানুহজন অতি ধনী মানুহ আছিল। সেই মানুহজনৰ অপৰাধ আৰু অপৰাধীৰ লগত বৰ গভীৰ সম্পৰ্ক আছিল। সেই মানুহজনৰ জৰিয়তে চাৰ্লছ শোভৰাজ পেৰিছৰ এনে অপৰাধী দল, মাফিয়া আৰু ড্ৰাগছ পেডলাৰৰ সংস্পৰ্শলৈ আহিছিল আৰু অপৰাধ জগতত সোমাই পৰিছিল। সেই সময়তে এগৰাকী পাৰ্চী ছোৱালীৰ লগত চাৰ্লছ শোভৰাজৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল। জে'লত চাৰ্লছ শোভৰাজে কাৰাবাস খাটি থাকোঁতে যিজন ব্যক্তিয়ে জে'লৰ কয়দীক শুদ্ধ পথলৈ অনাৰ চেষ্টা কৰিছিল সেই মানুহজনৰ জৰিয়তে চাৰ্লছ শোভৰাজে এখন গাড়ী লৈ কিছু টকা আৰু নিজ প্ৰেমিকাক লগত লৈ ফ্ৰান্সৰ বৰ্ডাৰ পাৰ হৈ চুবুৰীয়া ৰাজ্যত প্ৰৱেশ কৰে। তাৰপিছত ১৯৬৯ চনত ভাৰতবৰ্ষলৈ আহি মুম্বাইত প্ৰৱেশ কৰে। চাৰ্লছ শোভৰাজে পাৰ্চী প্ৰেমিকাৰ লগত বিবাহ পাশত আবদ্ধ হ'ল আৰু দুয়োৰে এক কন্যা সন্তান জন্ম হ'ল। এবাৰ নতুন দিল্লীৰ 'অশোকা' নামৰ এখন ফাইভ ষ্টাৰ হোটেলত চাৰ্লছ শোভৰাজ আছিল। সেই হোটেলখনৰ ওপৰৰ ফ্লৰত এখন জুৱেলাৰী Shop আছিল। চাৰ্লছ শোভৰাজে সেই অশোকা হোটেলত থাকি জুৱেলাৰী Shop খনত ডকাইতি কৰে আৰু সোণৰ অলংকাৰ, টকা আদি লুট কৰি নিজৰ বাইকখন লৈ মুম্বাই যাবলৈ দিল্লী Airport ত উপস্থিত হয়। কিন্তু দিল্লী Airport ত কাষ্টম অফিচাৰ দেখি চাৰ্লছ শোভৰাজ পলায়। কিন্তু পিছত দিল্লী পুলিচে চাৰ্লছ শোভৰাজক গ্ৰেপ্তাৰ কৰি তিহাৰ জে'ললৈ প্ৰেৰণ কৰে। তিহাৰ জেলত থাকোঁতে বেমাৰৰ বাহানা কৰি চাৰ্লছ শোভৰাজ চিকিৎসাধীন হয় আৰু চিকিৎসালয়ৰ পৰা পুলিচৰ চকুত ধূলি দি পলায়। ইয়াৰ পৰা পলায় চাৰ্লছ শোভৰাজ কাবুলত উপস্থিত হয়। কাবুলত উপস্থিত হৈ ড্ৰাগছ আসক্ত কিছু বিদেশী পৰ্যটকক নিচাযুক্ত ড্ৰাগছ সেৱন কৰাই অজ্ঞান কৰি বিদেশী পৰ্যটকৰ টকা পইচা আদি লুট কৰি পলাই যায়। কাবুলৰ পৰা পলাই চাৰ্লছ শোভৰাজ বেংককত উপস্থিত হয়। তাতো চাৰ্লছ শোভৰাজে এটা দল গঠন কৰি কিছু অপৰাধ সংঘটিত কৰিছিল। ১৯৭৫ চনত চাৰ্লছ শোভৰাজে থাইলেণ্ডত কিছু বিদেশী মহিলা পৰ্যটকক নিজৰ চিকাৰ হিচাপে বাছি লৈছিল। বিদেশী মহিলা পৰ্যটকক খাদ্যবস্তুত ড্ৰাগছ মিহলাই, ডিঙি চেপি আৰু জ্বলাই হত্যা কৰিছিল। প্ৰথম যিগৰাকী মহিলা পৰ্যটক আছিল



তেখেতৰ মৃতদেহটো এক Swiming পুলত পোৱা গৈছিল। সেই মৃত যুৱতীগৰাকীৰ বিকিনিত এটা ফুল আঁকা হৈছিল। পোষ্টমৰ্টেম কৰাৰ পিছত গম পোৱা গ'ল যে সেই মহিলাগৰাকীক ডিঙি চেপি হত্যা কৰা হৈছিল। দ্বিতীয় মৃতদেহটোও এটা Swiming পুলত পোৱা গ'ল। সেই মৃতদেহটোও এগৰাকী যুৱতীৰ আছিল। সেই যুৱতীগৰাকীৰ বিকিনিতো এটা ফুল আঁকা আছিল। এই দুয়োটা হত্যাকাণ্ড চাৰ্লছ শোভৰাজে সংঘটিত কৰিছিল। তাৰপিছত মিডিয়াত এই ঘটনাটো জনপ্ৰিয় হৈ পৰিল আৰু চাৰ্লছ শোভৰাজ সমগ্ৰ বিশ্বতে 'বিকিনি কিলাৰ' হিচাপে জনপ্ৰিয় হৈ পৰিল। বৰ্তমান চাৰ্লছ শোভৰাজে ৭৩ বছৰ বয়সত নেপালৰ জে'লত নিজৰ কাৰাবাসৰ জীৱন অন্ত কৰি হৃদযন্ত্ৰৰ এক অস্ত্ৰোপচাৰৰ বাবে ফ্ৰান্সৰ ৰাজধানী পেৰিছলৈ গ'ল। বৰ্তমান চাৰ্লছ শোভৰাজ ফ্ৰান্সৰ ৰাজধানী পেৰিছতে আছে।

ম'বাইল ঃ ৮৪৭৪০-৯৩১৬৮

# বিহুৱৰ মামা

■ মিনাৰাম বৰা

বিহুৱৰ কেওঁত। এজন শান্ত শিষ্ট, অমায়িক ব্যক্তি। পেচাত এজন হোমিও চিকিৎসক। যদিও চিকিৎসক, সমাজ সেৱাৰ প্ৰতি তেওঁ অধিক আগ্ৰহী। অঞ্চলৰ যি কোনো উৎসৱ পাৰ্বণত ভাগ লৈ অত্যন্ত ভাল পায়। তেওঁলোকৰ বৃহৎ অঞ্চলটিত কেইবাটিও সম্প্ৰদায়ৰ লোকে মিলাপ্ৰীতিৰে বসবাস কৰি আহিছে। বিহুৱৰ সকলোৰে প্ৰিয়পাত্ৰ। সকলোৰে জাতীয় উৎসৱবোৰত বিহুৱৰৰ সক্ৰিয়তা উল্লেখযোগ্য। হোমিও চিকিৎসক হিচাবে তেওঁৰ ওচৰলৈ চিকিৎসাৰ বাবে বিশেষকৈ কণ কণ ল'ৰা-ছোৱালীবোৰক বেছিকৈ অনা দেখা যায়। সেয়ে অঞ্চলৰ শিশুবোৰৰ বাবে তেওঁ হ'ল 'বিহুৱৰ মামা'। কোলাৰ পানী কেঁচুৱা কেইটাৰ বাদে কণ কণ শিশুবোৰ কাঁহ চৰ্দি জ্বৰ আদি হ'লেই সিহঁতে মাকক ঠেন ঠেনাই থাকে। 'বিহুৱৰ মামাৰ পুৰীয়া খাওঁ' 'বিহুৱৰ মামাৰ মিঠা মিঠা গুটি খাওঁ'।

কিন্তু আজি ভালেমান দিন হ'ল বিহুৱৰ নিজেই এজন ৰোগী। এইবাৰ অঞ্চলৰ ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ কাম-কাজত অনুপস্থিত। বিহুৱৰৰ অনুপস্থিতিয়ে সকলোকে মৰ্মাহত কৰিছে। অনুষ্ঠানটিও যেন সম্পূৰ্ণ হৈও অসম্পূৰ্ণ হৈ ৰ'ব। কিন্তু নিৰ্দিষ্ট দিনাখন বিহুৱৰ বিচনাত পৰি থাকিব নোৱাৰিলে। ধুতি পাঞ্জাৱী পিন্ধি যাবলৈ সাজু হওঁতেই ঘৈণীয়েক ৰমলাই বাধা দিলে। বিহুৱৰে ক'লে--'আজি মোক কোনো বেমাৰেই ঘৰত ৰাখিব নোৱাৰে, মই যাবই লাগিব' বুলি কৈ গামোচাখন কান্ধত পেলাই অনুষ্ঠান থলীলৈ ওলাই গ'ল। অনুষ্ঠান স্থলী গৈ পোৱাত কেইজনমান যুৱকৰ চকু পৰিল আৰু তেওঁক নি মঞ্চত বহুৱাই এখনি বিহুৱানেৰে সম্বৰ্দ্ধনা জনালে।

সেই গাঁৱৰে যুৱক বিপুল বড়ো এজন সামৰিক বাহিনীৰ জোৱান। বিহুৰ বাবে আগতীয়া ছুটি নাপাই বিহু অনুষ্ঠানৰ পিছ দিনাহে আহি ঘৰ পালেহি। আহিয়েই নৱবিবাহিতা পত্নীৰ মুখৰ পৰা হৈ যোৱা অনুষ্ঠানৰ কথা আৰু বিহুৱৰ কেওঁতৰ অসুখৰ খবৰ শুনিলে। লগে লগে তেওঁ বিহুৱৰক দেখা দিবলৈ তেওঁৰ ঘৰ পালেগৈ।

বিহুৱৰে বিচনাত বহি এটা নদিয়াত ভৰিকেইটা থচি আছে। নদিয়াটোত আধা পানী আৰু সৰু সৰুকৈ কটা অলপমান তিতা কেৰেলা। তেওঁৰ ভৰি কেইটা ফুলি আছে। মুখখন শেঁতা পৰিছে। ৰমলাই বিপুলক বহিবলৈ চকী এখন আগবঢ়াই দিলে।

ঃ খুড়াদেউ ভাল নে?

ঃ ভালনো কি হ'ব দেখিছেই নহয় মোৰ অৱস্থা।

তই কেতিয়া আহিলি?

ঃ আজি কিছু সময়ৰ আগতে ঘৰ সোমালোহি। চাহ একাপ খায়েই আপোনাৰ ওচৰ পালোহি।

ঃ ভালেই কৰিলি, কেতিয়া সিপাৰ হওঁ ঠিক নাই।

ঃ 'কিয়? আপোনাৰ অসুখ নেকি?' বিপুলে নজনাৰ ভাও ধৰি সোধিলে।

ঃ ডায়েবেটিছ। লগতে উচ্চৰক্তচাপ। বৰ্তমান ৪৪০ চুগাৰ।

ঃ আপুনি মনোবল হেৰোৱাইছে। ডায়েবেটিছ আৰু হাই প্ৰেচাৰত মানুহ নমৰে নহয়। অতি সোনকালে চুগাৰ কমিব আৰু চুগাৰ কমাৰ লগে লগে প্ৰেচাৰ নৰ্মাল হ'ব। কেৱল আপুনি Diet control কৰিব লাগিব আৰু মনটো প্ৰফুল্লিত কৰি ৰাখিব লাগিব। তাৰ বাবে আপুনি ঘৰতে সোমাই নাথাকি আগৰ দৰে মানুহৰ সঙ্গ বিচাৰি ওলাই যাব লাগিব।

ঃ হয়, সেইবোৰ মানি মানি কেতিয়াবা অধৈৰ্য্য হৈ যাওঁ।

ঃ নহয় খুড়াদেউ, আপুনি নিজেই এজন চিকিৎসক। আনৰ পৰামৰ্শ দাতা। গতিকে নিজৰ ক্ষেত্ৰটো পৰামৰ্শ মানি চলকচোন। সকলো ঠিক হৈ যাব। আপুনি যে গামলাত তিতা কেৰেলা ভৰিৰে খচি আছে সেয়া উত্তম। এনেকৈ দিনে দুবাৰমান কৰিব। নিমখ খাবলৈ একেবাৰে এৰি দিয়ক। আটাইতকৈ উত্তম কাম হ'ল খুব পুৱাই প্ৰাত ভ্ৰমণ কৰাটো।

ঃ কৰোঁ। মধুমেহ ৰোগীয়ে মানিব লগা কিছুমান নিয়ম মানি চলাৰ বাবেই আগতকৈ যথেষ্ট চুগাৰৰ পৰিমাণ কমিছে।

ঃ তেনেহ'লে আপুনি নাৰ্ভাছ হোৱাৰ কাৰণ কি? আপুনি নিজেই এজন চিকিৎসক, গতিকে নিজৰ বিধান মতে কামবোৰ কৰক অতি সোনকালে আপুনি সুস্থ হৈ উঠিব। এতিয়াওটো আপুনি অসুস্থ নহয় মাথোঁ চুগাৰৰ পৰিমাণটোহে বাঢ়িছে। এইটো সাধাৰণ কথা। খুড়াদেউ, আগন্তুক বাথৌ পূজাত আগৰ দৰে আগভাগ ল'ব লাগিব দেই।

ঃ বাৰু ঈশ্বৰে দয়া কৰে যদি।

ঃ কৰিব আপুনি কেৱল নিয়মমতে কামবোৰ কৰি যাওক। মই এতিয়া আহিলো।

ঃ চাহ একাপ খাই যাবা ৰ'বা।- ৰমলাই ক'লে।

ঃ নালাগে খুড়ীদেউ, চাহ মই নাখাওঁয়েই। আহোঁ এতিয়া।

প্ৰায় দুমাহৰ পাছত স্থানীয় বড়ো লোকসকলে বাথৌ পূজাৰ ডাঙৰ আয়োজন কৰিছে। সকলো সম্প্ৰদায়ৰ লোকেই সহযোগ কৰিছে। সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰা দেখা গ'ল বিহুৱৰ কেওঁটক। অনুষ্ঠানৰ ঘোষকে ঘোষণা কৰিলে- 'শ্ৰদ্ধেয় ৰাইজ, আজি আমাৰ বাথৌ পূজা উপলক্ষে আয়োজিত সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰিব সকলোৰে প্ৰিয় তথা সৰবৰহী ব্যক্তি মাননীয় বিহুৱৰ কেওঁট ডাঙৰীয়াই। লগতে কেওঁট ডাঙৰীয়াৰ মুখেৰেই শুনিব তেখেতে বহুদিন ভুগি থকা মাৰাত্মক ৰোগ মধুমেহ আৰু উচ্চ ৰক্তচাপক কোনো ঔষধ সেৱন নকৰাকৈ নিজৰ মনোবল আৰু খাদ্য নিয়ন্ত্ৰণ কৰি পৰাভূত কৰাৰ কাহিনী।

বিহুৱৰ কেওঁট বহাৰ পৰা উঠি আৰম্ভ কৰিলে- 'ৰাইজ, মোৰ সেৱা ল'ব। পৰম পিতা পৰমেশ্বৰৰ কৃপাত আজি আপোনা সবৰ সমুখত ঠিয় হ'ব পাৰিছো। মই পুনৰ জনম পোৱাৰ বাবে এজন ব্যক্তিৰ নাম ল'ব লাগিব আৰু তেওঁ মোৰ বাবে ভগৱান। তেওঁ মোক সাহস দি মোৰ মনোবল ঘূৰাই ননাহ'লে আজি এই মঞ্চত মোক আপোনালোকে দেখা নাপালেহেঁতেন। তেওঁ আন কোনো নহয় দেশ সুৰক্ষাৰ বাবে সীমান্তত কৰ্মৰত সাহসী যুৱক বিপুল বড়ো। তেওঁ বিহুৰ সময়ত এমাহ ছুটি লৈ ঘৰলৈ আহোঁতে মোক দেখা কৰি মোক যথেষ্ট সাহস আৰু মনোবল দৃঢ় কৰাৰ পৰামৰ্শ দিয়াৰ উপৰিও খাদ্য নিয়ন্ত্ৰণ কৰি আৰোগ্য লাভ কৰাৰ পৰামৰ্শ দি যায়। তেওঁৰ পৰামৰ্শক গুৰুত্ব সহকাৰে লৈ আজি মই সম্পূৰ্ণ আৰোগ্য। ৰাইজ, আপোনালোকে জানে যে মধুমেহ অৰ্থাৎ ডায়েবেটিছ ৰোগ আৰু উচ্চ ৰক্তচাপ হ'ল মাৰাত্মক ৰোগ। এই ৰোগ কোনো ঔষধ সেৱন কৰি নিৰ্মূল কৰিব নোৱাৰে বুলি চিকিৎসকসকলে কয়। মাথোঁ আজীৱন ঔষধ সেৱন কৰি ৰোগৰ সতে সহাৱস্থান কৰি থাকিব পাৰি। কিন্তু কোনো ঔষধ ব্যৱহাৰ নকৰাকৈও এই সমূহ ৰোগ নিৰ্মূল কৰিব পাৰি। ইয়াৰ জলন্ত উদাহৰণ আজি মই। ইয়াৰ বাবে খাদ্যাভ্যাস সম্পূৰ্ণ সলনি কৰিব লাগিব। মুখৰ লোভ নিয়ন্ত্ৰণ কৰিব লাগিব। দৈনিক পুৱা গধুলি প্ৰাণায়াম আৰু সৎ সঙ্গ, সৎ আলোচনাত ব্ৰতী হ'ব লাগিব। অৰ্থ ব্যয় নকৰাকৈ বনৌষধ ব্যৱহাৰ কৰিব পাৰে। শ্ৰদ্ধাভাজন ৰাইজ, মোৰ ভাষণ বেছি দীঘল নকৰি আজিৰ সাংস্কৃতিক মঞ্চ মুকলি কৰা হ'ল বুলি ঘোষণা কৰিলোঁ। ধন্যবাদ। দৰ্শকসকলৰ ফালৰ পৰা বহুতেই মঞ্চলৈ উঠি আহি বিহুৱৰ কেওঁট ডিঙিত গামোচাৰে উপচাই পেলালে।

## ৰঙৰ খেল

■ নৰেন কুটুম
মিলনপুৰ, বিশ্বনাথ চাৰিআলি

ৰং
কাৰোবাৰ নীলা কাৰোবাৰ ৰঙা কাৰোবাৰ সেউজীয়া
আন কাৰোবাৰ সাতোৰঙ্কী
ৰঙৰ দৰে মানুহৰ মন
এই দুনিয়াত ৰং আছে বাবেই আমি ৰঙীন
আমাৰ ৰঙীন মন এটা আছে বাবেই পৃথিৱীখন ৰঙীন
কোৱাচোন তোমাৰ কি ৰং ভাল লাগে?
তোমাৰ ভাল লগা ৰঙটো মোৰ ভাল নালাগে,
অইন কাৰোবাৰ ভাল লগা ৰঙটো তোমাৰ পচন্দ নহয়
এই আমাৰ মাজৰ পচন্দ-অপচন্দৰ সংমিশ্ৰণটোও
এটা নতুন ৰঙৰ সমাহাৰ
এই নতুন ৰঙটোও কাৰোবাৰ বাবে হ'ব
পাৰে প্ৰিয়
অতি প্ৰিয়
বগা ৰঙত সাতোটা ৰং থাকে
অথচ সাতোটা ৰঙে কেৱল বগা হৈয়ে ধৰা দিয়ে
তেনেকৈয়ে মোৰ বাহিৰৰ মনটো ভিতৰৰ নহয়
তোমাৰ ভিতৰৰ মনটো আমি দেখি
থকা বাহিৰৰটো নহয়,
ৰং চাই ৰঙত ভোল নাযাবা,
ৰং চাই ৰঙত ভোল গৈ গৈ আচল ৰঙটো পাহৰি নাযাবা
আজিকালি মানুহবোৰ আগতকৈ বেছি ৰঙীন হ'ল
আজিকালি মানুহবোৰ আগতকৈ বেছি ৰং খেলা হ'ল
ৰং খেলোতে খেলোতে নিজৰ অচল ৰঙটো পাহৰি গ'ল
ৰঙে যদি কাপোৰ লেতেৰা কৰো কাপোৰৰ
শেষ ক্ষণটোলৈ
তেনে ৰং নলগাবা,
ৰঙে যদি মানুহৰ মনত দুখ দিয়ে
বন্ধু, তেনে ৰঙেৰে কাহানিও নেখেলিবা
আহা আমি ৰং খেলো
ভিতৰে-বাহিৰে ৰঙীন হোৱা ৰঙেৰে...।

ম'বাইল ঃ ৮৬৩৮৮-৬৩৩২৫



## ৰঙালী

আয়শা ছিদ্দিকা (আছৰি)
বাংলিপাৰা, বৰপেটা

ৰঙালী বিহুৰ পুনৰ আগমণে
সীমান্তৰ পৰা বৈ আহে মৃদু বতাহ
আনন্দৰ উল্লাসৰ উজ্বল ৰঙে
ঘৰে-পদুলিয়ে পৰিছে সভাহ।
গীতত বাজে আনন্দৰ সুৰ
হেঙুলীয়া ফুলে সাজি প্ৰেমৰ ৰং
পলাশৰ ৰঙত মন আজি মেলি
ৰুন-জুনকৈ প্ৰকৃতি নাচিছে।।
বিহুৰ গীতত মাদলৰ ধ্বনিত
পুৰণী কাহিনীৰ সৰগীয়া স্মৃতি
ৰঙালী বিহুৰ উৎসৱৰ বাটত
বাজে নতুন আশা জীৱনৰ বাণী।
প্ৰকৃতিয়ে গঢ়ে সপোনৰ ডেউকা
তাতে বহিছে সুখৰ বজাৰ মেলি
বিহুৰ বিহুৱান পিন্ধি ওলায়হি যুৱ
এপাক বিহু নাচিব নাচনীক লৈ...
ৰঙালী আহে বসন্তক আদৰি
প্ৰকৃতিয়েও নাচে নতুন ৰূপ পাই
পলাশৰ ৰঙে ৰঙচুৱা হয় চৌদিশ
আনন্দৰ মাদল বজাই বজাই।।

ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮

## দৰমহা

ফুকন কৈৰৰ্ত
ৰামপুৰ, কামৰূপ

যাৰ আশাত বন্দী হৈ থাকে মানুহবোৰ,
যাৰ ভৰুণ টোপোলাটিত বাস কৰে এজাউৰি সপোন,
দুখৰ মাজতো এটি আশা হৈ ওমলে
আৰু সমাধানৰ বাট মুকলি হয় অধীৰ আগ্ৰহেৰে।
দৰমহাৰ বুকু ডাঠ হৈ পৰে মাহৰ শেষৰফালে,
পহিলা সপ্তাহতেই পোখালি মেলে সতেজ চাহনিৰে,
হুবাহুৱে বৃদ্ধি পায় খৰচৰ পয়মাল
আৰু পাৰস্তম্ভ নমাদি নামে বাজেটৰ ধন।
দৰমহা বন্ধ হ'লেই ৰুদ্ধ হৈ পৰে উপাৰ্জনৰ বাট,
কুৰুকি কুৰুকি সোমাই পৰে জোৰা টাপলি মৰা
সমস্যাৰ সকৰুণ ছবি আৰু নিৰানন্দ ভুমুকি।
সকলোৰে পৰিয়ালবোৰ আঢ্যৱন্ত নহয়,
পৰিয়ালৰ সমস্ত হেঙাৰ ভাঙিবলৈ বাধ্য হৈ পৰে এজন মানুহ,
লোণৰ কিস্তি মাৰি কামিহাড় ভাঙি যায় বহুতৰ,
বহুতৰ বাবে ৰুগীয়া পিতৃ-মাতৃৰ সেৱা শুশ্ৰূষাত
উটি ভাঁহি যায় ৰাহি কৰিব খোজা ধন।
আপুনি যদি চাকৰি কৰিছে, আপুনি যদি দৰমহা পোৱা মানুহ
তেতিয়া আপুনি অতৰ্কিতে সোমাই পৰিব
সমাজ সেৱাৰ প্ৰথম শ্ৰেণীৰ তালিকাত,
আপুনি যদি কাৰো ওচৰত হাত পতা নাই,
আপুনি যদি কেলধোপ কেলধোপকৈও জীয়াই আছে
তথাপিও আপোনাৰ ওচৰলৈ সোত ব'ব চান্দাৰ চঞ্চুক বিচাৰি।
আপুনি লাজত পৰি দিব লাগিব পাৰে সাঁচতীয়া ধন,
লাগিলে সিদিনাই আপুনি আকৌ ধাৰত পোত যাওঁক।
মানুহবোৰে নুবুজিব আপুনি যে কিমান সমস্যাৰ স'তে যুজঁ বাগৰ দি আছে,
কাৰণ আপুনিতো দৰমহা পাই, চাকৰি কৰে
আপোনাৰ সমস্যাতো দূৰতে বিদূৰ হয় ভাই.....

ম'বাইল ঃ ৯৬১৩৪-৯১৪৮৯

## ২২ ফেব্ৰুৱাৰী ২০১৭

ৰিপুঞ্জ বৰা

২২ ফেব্ৰুৱাৰী ২০১৭ ত কি নহৈছিল?
ফাগুন দেখাপোৱা বিনু মাহীৰ চকুত কেটেৰেক পৰা নাছিল
শিমলু ফুলৰ সুৰুয তোমাৰ ওঁঠ আছিল,

ৰাস্তা পাৰ কৰিবলৈ বাওঁ হাতখন আগবঢ়াই দিওঁতে বজা নাছিল বেটেৰী ৰিক্সাৰ হৰ্ণ

দৰিকণাৰ দুই ওঁঠত আছিল কণমানি টিপচী এটাৰ চুম্বন
কলাক্ষেত্ৰত কবিতা এটা পঢ়োঁতে তুমি লাজ লাজকৈ চাই আছিলা ফাগুন

২২ ফেব্ৰুৱাৰী ত কি নহৈছিল?
হাস্পতালৰ ৰিপ'ৰ্ট এটাত বাইদেউৰ মাৰাত্মক ব্যাধি বুলি আহিছিল,

কানকুৰিকাই ঠোঁটে খহাইছিল শিমলু এপাহ

ক'ৰবাৰ পৰা ভাগৱত পাঠৰ মাইক এটা পুৱতি নিশা ভাঁহিছিল
স্থগিত কৰি জীৱন যন্ত্ৰণাৰ
মাটি কঢ়িওৱা ট্ৰেক্টৰৰ উন্মাদেৰে
মহতিয়াই মাৰিছিল দেৱ শিশুক
পৰীক্ষা বেয়া হোৱা কিশোৰীৰ আত্মঘাতীৰ খবৰ বাগৰিছিল
২২ ফেব্ৰুৱাৰী ২০১৭ ত কি হোৱা নাছিল?
কোনোবাই অনুবাদ কৰিছিল নিজলৈ
আৰু নিজক অনুবাদ কৰি পমি গৈছিলোঁ আনলৈ।

## ছিপাঝাৰ কলেজৰ তুমি অভিনৰ বৰুৱা

ৰাখী কাশ্যপ

Hello mister
পাগল কৰিহে এৰিবা যেন পাওঁ
তোমাৰ হাঁহিত কি আছিল সেয়া
মোৰ চকু চকুৰে চাই কি কথা
কৈ দিলা? বুকুৰ মাজত
বলাই দিলা হেজাৰ ধুমুহা
আহ। বাৰে বাৰে মনা কৰাৰ
পাছতো বুৰঞ্জী বিভাগলৈ
মিছা অজুহাত কিছুমান লৈ
তোমাৰ অহা যোৱা
পিছে বৰুৱা কাক বিচাৰি ফুৰে
তোমাৰ দুচকুৰে department ৰ
প্ৰতিটো কোঠাত।
নাহৰ জোপাৰ তলত নাথাকিবা না
মই নাহৰৰ প্ৰেমত পাগল আৰু
তুমি যদি তাত থাকা
O my god
Library ত তোমাৰ লেপটপৰ খটখটনি
লগত অৰ্ণৱৰ গান নহ'লে যে
অভিনৱ বৰুৱা পাগল নকৰিবা না তোমাৰ প্ৰেমত
মই নাজানো প্ৰেমত সূত্ৰ
নজানো প্ৰেমৰ ৰাগী
কিন্তু মিষ্টাৰ তোমাক দেখিবৰ
পৰা কি যাদু কৰিলা
নেচাও বুলি আঁতৰি আহিলেও
নিজেই চকু যায় তোমাৰ ওচৰত
ক্ৰীম ৰাং shirt টোৰ ওপৰত কলা coat
কি বুলি কম তোমাক
বৰুৱা দিবানে তোমাক চাবলৈ
এপলক ওচৰৰ পৰা
হেঁপাহ পলুৱাই।
অভিনৱ বৰুৱা ছিপাঝাৰ কলেজৰ তুমি
বিশেষ আবেলি এটা উপহাৰ বিচাৰো দিবা নে
তোমাৰ প্ৰেমত পাগল নকৰিবা অভিনৱ বৰুৱা।
কিয়নো মই নাজানো কিমান জনীৰ স্বপ্ন তুমি
ছিপাঝাৰ কলেজৰ তুমি অভিনৱ বৰুৱা।
তোমাৰ প্ৰেমত পাগল নকৰিবা না

## তেওঁ

অনুভূতি গায়ন

এটা ৰণুৱা তেজাল যোঁৱা হৈ
তেওঁ আহিছিল
কদমত পৰিচালিত হৈছিল
প্ৰতিটো খোজ
তেওঁৰ বুকুৰ ভিতৰত আছিল
'এটা ধান সোণালী কবিতা'

তেওঁ সুধিছিল-
'বন্ধু প্ৰিয়তম, যুদ্ধ মানে নহয় জানো
নিকোলাচ গিয়েনৰ নৱতম কবিতা'
তেওঁৰ মূৰৰ মূল্যতকৈ
তল পৰি ৰ'ল
কবিতাৰ দাম

এটা কবিতাৰ দাম কিমান
উৰুকাৰ নিশা
আইৰ আখলৰ জুইকুৰাতকৈয়ো
বেছি নে?

এদিন আহিনমহীয়া
কুঁৱলীয়ে আৱৰা সন্ধিয়া এটাত
আইৰ আখলৰ জুইকুৰা
নজ্বলিল
কাউৰীবোৰে ৰমলিয়াইছিল
এঘন্টাৰ বাবে ল'ডচেটিং হৈছিল

ৰাতিলৈ তেওঁ গুচি যোৱাৰ
খবৰটো বিয়পি পৰিছিল

গিয়েনক ভালপোৱাটো
আছিল অপৰাধ।

## ঘৰ

ধন দাস

আকাশখনে কান্দিছে
ঘৰটোৱে মূৰত ৰেইনকোটৰ দৰে টৌ খেলা
কচুপাত পিন্ধি চকুপানীৰ টোপালবোৰ
মোলৈ আহিব নোৱাৰাকে
মূৰ পাতি থিয় দি আছে
মোক বুকুত সোমোৱাই
আৰু মই সোমাই থাকিব পৰা নাই ভিতৰত
মই ভাবি আছোঁ বিচনাখন চকী হোৱা হ'লে
আৰু চকীখন বিচনা।
ঘৰটোৱে মোক সামৰি ৰখাৰ দৰে
মই পৰা নাই নিজক
ঘৰটোৰ সীমা পাৰ কৰি
চকুপানীত তিয়াই ৰাখিব পৰা নাই নিজক
মই সোমাই আছোঁ আৰু শুনি আছোঁ কান্দোন
মই সোমাই আছোঁ আৰু দুৱাৰখনৰ খিলিটো
এবাৰ ওপৰলৈ এবাৰ তললৈ কৰি আছোঁ
এবাৰ পিন্ধিছোঁ আকৌ খোলিছোঁ মোক
ধুমুহাই ৰাগ জুৰিছে
গছৰ এন্ধাৰ চুলিবোৰ বাউলি হৈ
চকুপানী উৰুৱাই নিছে
ঘৰটোৱে খোন্দাবোৰ বুকু পাতি থৰক্-বৰক্কৈ
মোক সামৰি ৰাখিবলৈ আপ্ৰাণ যুঁজিছে
আৰু মই নিৰ্বাক্!
থিয় হৈ আছোঁ মগজুটো হাতত লৈ
সীমা গৰকি বাউল হ'ব পৰা নাই
ধৰি ৰাখিব পৰা নাই বিশ্বাস
সহজ কি
ঘৰটোৰ দৰে থিয় হৈ থকাটো নে
ভিতৰৰ কোলাহলৰ মাজত অস্থিৰ হৈ থকাটো
মৃত্যু নে মৃতকৰ ঘৰটো।
এটুকুৰা কাঠ-এঙাৰ হৈ
শূন্যতে আঁকি আছোঁ ভগা-চিগা ঘৰটোৰ
ভাগি যোৱা অংশবোৰত শেষ হয়
থিয় হৈ থাকিব নে ঘৰটো।

## মই যে বদ্ধপৰিকৰ আজি–

ববীতা মিশ্ৰ শৰ্মা, নগাঁও

হুমুনিয়াহবোৰ একাষৰীয়াকৈ ৰাখি
দুখৰ বিনিময়ত সুখ বিলোৱা
আপোনজনক বিচাৰি
বুকুৰে বুকুৰে বাগৰে
অনুভৱৰ পৰিধি;
মই যে বদ্ধপৰিকৰ আজি...
এখন কলুষতাহীন সহৃদয়ৰ
সৰগী হাতত ধৰি
নিঃস্বাৰ্থ নৈত জোবোৱা মাৰি
সুখৰ পিৰালিত বহিম
সকলো অভিমান সামৰি;
মই যে বদ্ধপৰিকৰ আজি...
এজাক সোণোৱালী ৰ'দৰ আশাত
কলিজাৰ ভাঁজত
আঁতি আঁতি বান্ধি ৰাখিম
মৰম আৰু হেঁপাহৰ আঁচলখনি;
অপেক্ষা মাথোন সেইদিনলৈ
আজলি কোলাত হেঁপাহবোৰ
কাজলি ভৰাই...
হৃদয়ত সাঁচি থোৱা
হাবিয়াসবোৰ ফুলি উঠিব
এড়ৱা মাধৈ মালতী হৈ।

## আমি কথা পাতিম

জ্ঞানেন্দ্ৰ বল্লভ গগৈ
বেকাজান

শব্দময় বসন্তৰ নৈঃশব্দত
তোমাৰ সতে কথা পাতিম
হিয়া উবুৰিয়াই,
মোৰ জীৱন নদীৰ ছন্দত
তোমাৰ হৈমন্তী হাতেৰে
ছবি আঁকিবা,
আমি কথা পাতিম
জোনাকী ফাগুন গধূলি
হৃদয়ৰ দুৱাৰ খুলি।

প্ৰথম পৃষ্ঠাৰ পৰা

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত লাচিত বৰফুকন পুলিচ একাডেমীৰ শুভ উদ্বোধন কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে

সক্ষম হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপ বাস্তৱায়িত কৰাত মাৰ্গদৰ্শন প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীক অসমবাসীৰ হৈ ধন্যবাদ জ্ঞাপন কৰে। লাচিত বৰফুকনৰ প্ৰতি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে প্ৰদৰ্শন কৰি অহা সন্মানৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নতুন দিল্লীত মহাবীৰগৰাকীৰ ৪০০ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী উপস্থিত থকাৰ লগতে লাচিত বৰফুকনৰ জীৱনী ভাৰতবৰ্ষৰ বিভিন্ন ভাষালৈ অনুবাদ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। সেই গ্ৰন্থ উদ্বোধন কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী অসমলৈ আহিছিল বুলিও তেওঁ কয়। অসম আৰক্ষী ৰাজ্যখনৰ এক ঐতিহ্যমণ্ডিত অনুষ্ঠান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেৰগাঁৱৰ অসম পুলিচ একাডেমীয়ে আৰক্ষীৰ বিষয়া-জোৱানক প্ৰশিক্ষণ প্ৰদান কৰি শক্তিশালী আৰক্ষী বাহিনীলৈ ৰূপান্তৰিত কৰাত সহায় কৰি আহিছে। তেওঁ কয় যে দেৰগাঁৱৰ পুলিচ একাডেমী লাচিত বৰফুকনৰ নামত সমৰ্পণ কৰি ১৬৭ কোটি টকা ব্যয়েৰে এই একাডেমীৰ ভৱন, আৰক্ষী সংগ্ৰহালয় নিৰ্মাণ কৰি উলিওৱা হৈছে। পৰৱৰ্তী পৰ্যায়ত প্ৰায় ৪০০ কোটি টকা ব্যয়েৰে আৰক্ষী আৰু প্ৰশিক্ষাৰ্থীৰ বাবে আৱাসগৃহ নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই চৌহদতে গুৱাহাটীৰ সৰুসজাইৰ দৰে এক বৃহৎ ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে সংকল্প লৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম পুলিচ একাডেমী সমান্তৰালভাৱে দেৰগাঁৱৰ এই চৌহদত স্থানীয় ৰাইজক সহায় কৰিবৰ বাবে এখন চি বি এছ চিৰ স্কুল, নাৰ্ছিং একাডেমী আৰু দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ ৰাজ্য চৰকাৰে গঢ়ি তুলিব। ইয়াৰ ফলত অসম আৰক্ষীৰ লগতে স্থানীয় যুৱক-যুৱতীসকলো উপকৃত হ'ব বুলি তেওঁ মন্তব্য কৰে। ভৱিষ্যতে এই চৌহদত আৰক্ষী চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কথাও ৰাজ্য চৰকাৰে চিন্তা কৰিছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা চাৰি বছৰত ৰাজ্য চৰকাৰে চলোৱা নিৰন্তৰ প্ৰচেষ্টাৰ বাবে অসমে আজি আইন-শৃংখলাৰ দিশত এটা নতুন দিশলৈ গতি কৰিছে। তেওঁ উল্লেখ কৰে যে ২০২০ চনত অসমত ১,২১,৬০৯ টা অপৰাধমূলক গোচৰ পঞ্জীয়ন হৈছিল। আনহাতে ২০২৪ বৰ্ষত গোচৰৰ সংখ্যা ৫০,২১৫ টা হ্ৰাস পাইছে। যোৱা চাৰে চাৰিবছৰত ৬০ শতাংশ অপৰাধ হ্ৰাস কৰিবলৈ ৰাজ্য চৰকাৰ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ২০২০ চনত নিষ্পত্তি নোহোৱাকৈ থকা গোচৰৰ সংখ্যা আছিল ১,৫৪,২৮০ টা আৰু ২০২৪ চনত ই ১৪,৮০০ লৈ হ্ৰাস পায়। আৰক্ষীৰ অভিযোগনামা ২০২০ চনত ৪৭ শতাংশ আছিল যদিও আজি ৬৬ শতাংশলৈ বৃদ্ধি পাইছে। ২০২০ চনত দোষী সাব্যস্তকৰণৰ হাৰ ৫.৫ শতাংশ আছিল। বৰ্তমান ২৫ শতাংশলৈ এয়া বৃদ্ধি পাইছে। মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ গোচৰ ২০২০ চনত ২৬,৩৫২ টা পঞ্জীয়ন হৈছিল আৰু ২০২৪ ত এই সংখ্যা ৫ হাজাৰলৈ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰতি আইন-শৃংখলা পৰিস্থিতিৰ উন্নতি আৰু আন্দোলন বিৱৰ্জিত পৰিৱেশত অসমবাসীৰ জীৱনলৈ পৰিৱৰ্তন আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা এডভাণ্টেজ আছাম ২.০ সন্মিলনত অসমে লাভ কৰা ৫.২৩ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱে ৰাজ্যখনক বিকাশৰ এক অনিৰুদ্ধ যাত্ৰালৈ আগুৱাই লৈ গৈছে। তেওঁ লগতে কয় যে যোৱা তিনি বছৰত ৰাজ্যখনত সন্ত্ৰাস নাই , আন্দোলন নাই আৰু এক আন্দোলন বিৱৰ্জিত পৰিৱেশত ৰাইজে নতুন দিনৰ সপোন দেখিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আশীৰ্বাদত আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ প্ৰেৰণাত অসমে দেশৰ এখন আগশাৰীৰ ৰাজ্যলৈ ৰূপান্তৰিত হোৱাৰ পথত আগবাঢ়িছে। এই অনুষ্ঠানত জাহাজ, বন্দৰ আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, কৃষি আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিত্ত আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া, ভৱেন্দ্ৰ নাথ ভৰালী, বিশ্বজিৎ ফুকনৰ উপৰি কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন, ইণ্টেলিজেন্স ব্যুৰোৰ সঞ্চালক তপন কুমাৰ ডেকা, অতিৰিক্ত মুখ্য সচিব এ কে তিৱাৰী, আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিং, অসম প্ৰদেশ বিজেপিৰ প্ৰভাৰী হৰিশ দ্বিৱেদী প্ৰমূখ্যে গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱে সমাজলৈ চিৰস্থায়ী অৱদান আগবঢ়াই গৈছে ঃ ড° শৰ্মা

কালজয়ী প্ৰজ্ঞাও প্ৰদান কৰি গৈছে বুলি ড° শৰ্মাই কয়। মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীৰামকৃষ্ণ সমগ্ৰ বিশ্বত ধৰ্মীয় সংহতিৰ প্ৰৱক্তা হিচাপে পৰিচিত। তেওঁ নিজৰ ব্যক্তিগত অভিজ্ঞতা আৰু সাধনাৰ জৰিয়তে প্ৰমাণ কৰিছিল যে, ধৰ্মসমূহৰ আচাৰ-অনুষ্ঠান আৰু মতবাদত পাৰ্থক্য থাকিলেও, সকলো ধৰ্মই একেটা চূড়ান্ত সত্যলৈ গতি কৰে। বহুত্ববাদত শিপাই থকা তেওঁৰ দৃষ্টিভংগীয়ে প্ৰচলিত ধৰ্মীয় সংঘাতৰ মাজত বিশ্ব শান্তিৰ পথ দেখুৱাবলৈ সক্ষম হৈছে। শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ জীৱন আৰু শিক্ষাই আমাক আধ্যাত্মিক পূৰ্ণতা, বিশ্বজনীন সমন্বয় আৰু নৈতিক সততাৰ দিশে পথ প্ৰদৰ্শন কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱ আৰু তেখেতৰ প্ৰধান শিষ্য স্বামী বিবেকানন্দৰ দ্বাৰা প্ৰতিষ্ঠিত ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছনে বিশ্বজনীন আধ্যাত্মিক আন্দোলনৰ সূচনা কৰি শতিকাজুৰি নীৰৱধি মানৱ সমাজত আধ্যাত্মিকতাৰ ভাৱ পুনৰুজ্জীৱিত কৰি আহিছে। ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছনৰ সেৱাৰ আদৰ্শ বিভিন্ন মানৱীয় প্ৰয়োজন আৰু সমাজকল্যাণমূলক কাৰ্যকলাপৰ জৰিয়তে প্ৰকাশ পাই আহিছে। এই সেৱাসমূহে শিক্ষা, স্বাস্থ্যসেৱা, গ্ৰামোন্নয়ন, আত্মসংস্থাপন, মহিলাৰ কল্যাণ, আন্তঃধৰ্মীয় সংলাপ, নৈতিক উন্নয়ন, আধ্যাত্মিক পথপ্ৰদৰ্শন, আৰু দুৰ্যোগ পীড়িতসকলৰ বাবে প্ৰয়োজনীয় সহায় আদি সামৰি লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ আদৰ্শই শিলচৰৰ ৰামকৃষ্ণ মিশন সেৱাশ্ৰমৰ নিৰ্লোভ সেৱাৰ মাজেৰে প্ৰকৃত ৰূপত প্ৰকাশ পাইছে। গৌৰৱময় ইতিহাসৰ সৈতে এই প্ৰতিষ্ঠানে শতবৰ্ষজুৰি মানৱ সমাজৰ উত্তৰণৰ বাবে সেৱা আৰু আধ্যাত্মিকতাৰ দিশত এক অতন্দ্ৰ প্ৰহৰী ৰূপে নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়াই আহিছে। তেওঁ কয় যে ১৯১৫ চনত কাছাৰ জিলাত এক বিধ্বংসী বানপানীয়ে তাণ্ডৱ চলোৱাৰ সময়ত এই মহৎ অনুষ্ঠানৰ আধাৰ প্ৰতিষ্ঠা হৈছিল। দুৰ্দশা আৰু হতাশাৰ মাজত, বেলুৰ মঠৰ কেইগৰাকীমান সন্ন্যাসীয়ে আহি, দুৰ্ভোগ পীড়িত লোকসকলৰ মাজত আশাৰ সঞ্চাৰ কৰিছিল। তেওঁলোকৰ নিঃস্বাৰ্থ সেৱাই স্থানীয় যুৱসমাজক অনুপ্ৰাণিত কৰিছিল, যাৰ ফলস্বৰূপে এই অঞ্চলৰ নেতৃস্থানীয় ব্যক্তি, প্ৰয়াত কামিনী কুমাৰ চন্দৰ নেতৃত্বত 'ৰামকৃষ্ণ সেৱা সমিতি' গঠন হৈছিল। ৰামকৃষ্ণ মিছন সেৱশ্ৰমৰ বৰ্ণিল ইতিহাসৰ আলোকপাত কৰি ড° শৰ্মাই কয় যে ১৯৩৯ চনৰ ১৫ ফেব্ৰুৱাৰীত ৰামকৃষ্ণ সেৱা সমিতি আনুষ্ঠানিকভাৱে বেলুৰ মঠৰ ৰামকৃষ্ণ মিছনৰ সৈতে সংযুক্ত হয়। এই সংযুক্তিকৰণে সেৱাশ্ৰমক মিছনৰ এটা আনুষ্ঠানিক শাখা কেন্দ্ৰৰ ৰূপত স্বীকৃতি দিয়ে আৰু স্বামী পুৰুষোত্তমানন্দ মহাৰাজক প্ৰথম সম্পাদক হিচাপে নিয়োগ কৰা হয়, আৰু তেওঁৰ প্ৰভূত অৱদানে এই সেৱাশ্ৰমৰ বিকাশৰ বাবে শক্তিশালী ভেটি স্থাপন কৰে। স্বামী পুৰুষোত্তমানন্দৰ পাছত, স্বামী তত্ত্বস্ত্ৰানন্দ, স্বামী ক্ষান্তয়ানন্দ, স্বামী দেৱদেৱানন্দ, স্বামী সত্যস্থানন্দ আৰু বৰ্তমান সম্পাদক স্বামী গণাধীশানন্দৰ দৰে পৰৱৰ্তী সম্পাদকসকলৰ দক্ষ নেতৃত্বত, সেৱাশ্ৰমৰ কাৰ্যই অজস্ৰ লোকৰ জীৱনত গভীৰ চাপ পেলাবলৈ সক্ষম হৈছে। তেওঁলোকে গ্ৰহণ কৰা গ্ৰাম্য কল্যাণ আঁচনি, বিনামূলীয়া পাঠশালা আৰু ভ্ৰাম্যমান চিকিৎসা সেৱাৰ উদ্যোগে দূৰ-দূৰণিৰ অঞ্চলসমূহত অসংখ্য ব্যক্তিক চিকিৎসা সেৱা আৰু সহায় প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীৰামকৃষ্ণ মিছন সেৱাশ্ৰমৰ চিকিৎসালয় মা সাৰদা দাতব্য চিকিৎসালয়ৰ বাবে ৰাজ্য চৰকাৰে ৫ কোটি টকাৰ অনুদান আগবঢ়াব বুলি ঘোষণা কৰে। লগতে শিলচৰত শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ সাৰ্বজনীন মন্দিৰ নিৰ্মাণত ব্যয় কৰা পুঁজিৰ ক্ষেত্ৰত যি বকেয়া ঋণ আছে সেয়া ঘূৰাই দিবৰ বাবে ৪ কোটি টকা প্ৰদান কৰি বুলিও ঘোষণা কৰে। এই অনুষ্ঠানত সাংসদ পৰিমল শুক্লবৈদ্য, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, বিধায়ক সকল ক্ৰমে দীপায়ন চক্ৰৱৰ্তী, মিহিৰকান্তি সোম, নিহাৰ ৰঞ্জন দাস, বিজয় মালাকাৰ, বেলুৰ মঠৰ ৰামকৃষ্ণ মঠ আৰু মিছনৰ সভাপতি স্বামী গৌতমানন্দ মহাৰাজৰ লগতে স্বামী জ্ঞানৰত্নানন্দ, স্বামী অচ্যুতানন্দ, স্বামী সৰ্বলোকানন্দ, ৰামকৃষ্ণ মিছন সেৱাশ্ৰম, শিলচৰৰ সচিব স্বামী গণধীযানন্দ, স্বামী শুভাকৰনন্দ, নিহাল মহাৰাজ সৰ্বেচাচৈতন্যৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# শিলচৰৰ এছ এম দেৱ অসামৰিক চিকিৎসালয়ত নতুন ক্ৰিটিকেল কেয়াৰ

পৰিকল্পনা গ্ৰহণ কৰিছে। তদুপৰি যান-জঁটৰ সমস্যা লাঘৱ কৰিবলৈ শিলচৰত এখন উৰণ সেতু নিৰ্মাণৰো পৰিকল্পনা লোৱা হৈছে। এই অনুষ্ঠানত সাংসদ পৰিমল শুক্লবৈদ্য, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, বিধায়ক সকল ক্ৰমে দীপায়ন চক্ৰৱৰ্তী, মিহিৰকান্তি সোম, নিহাৰ ৰঞ্জন দাস, বিজয় মালাকাৰ, কমলাক্ষ দে পুৰকায়স্থ, কৰিম উদ্দিন বৰভূঞা, মিছবাউল ইছলাম, খলিল উদ্দিন মজুমদাৰ প্ৰমুখ্যে আন গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# শিলচৰস্থিত দেশভক্ত তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৫০ বছৰীয়া বৰ্ণিল ইতিহাসেৰে সমৃদ্ধ শিলচৰস্থিত দেশভক্ত তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত আজি অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিদ্যালয়খনৰ বৰ্তমান আৰু পূৰ্বৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অঞ্চলটোৰ সমূহ বিদ্যানুৰাগী লোকক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰাক উপত্যকাত অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠান স্থাপন আৰু অসমীয়া ভাষা-সাহিত্য প্ৰচাৰ আৰু প্ৰসাৰত অসম সাহিত্য সভাই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ১৯৫৩ চনত কেইগৰাকীমান ভাষানুৰাগীৰ প্ৰচেষ্টাত শিলচৰ চহৰত শাখা সাহিত্য সভা গঠন হৈছিল আৰু তাৰ লগে লগে এখন প্ৰাথমিক বিদ্যালয় গঢ় লৈ উঠিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে পৰৱৰ্তী সময়ত শিলচৰ শাখা সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনত লোৱা সিদ্ধান্ত অনুসৰি ১৯৬০ চনত স্থাপিত হৈছিল বৰ্তমানৰ দেশভক্ত তৰুণৰাম ফুকন মধ্য ইংৰাজী বিদ্যালয়। ড° শৰ্মাই কয় যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা কৰ্মসূত্ৰে অহা চৰকাৰী বিষয়া-কৰ্মচাৰী সকলৰ সন্তানৰ শিক্ষাৰ উদ্দেশ্যে ১৯৭১ চন মানত এখন অসমীয়া মাধ্যমৰ উচ্চ মাধ্যমিক বিদ্যালয় গঠনৰ প্ৰচেষ্টা আৰম্ভ হৈছিল। এই ক্ষেত্ৰত চৰকাৰী বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় বহুতো শিক্ষানুৰাগী ব্যক্তিয়ে আগভাগ লৈছিল। শাখা সভাৰ দ্বাৰা পৰিচালিত বিয়লি চৰাত হোৱা আলোচনাৰ ভিত্তিত দেশভক্ত তৰুণৰাম ফুকন মধ্য ইংৰাজী বিদ্যালয়খনকে উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ১৯৭২ চনত মাত্ৰ ৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰে শিলচৰ শাখা সভাৰ পুৰণি সভাকক্ষতে দেশভক্ত তৰুণৰাম ফুকন উচ্চ মাধ্যমিক বিদ্যালয়ে পাতনি মেলে। বিদ্যালয়খনৰ আৰম্ভণিৰ সময়ছোৱাত অসমীয়া ভাষাত শিক্ষাদানৰ বাবে উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰী নথকাত এই জিলালৈ কৰ্মসূত্ৰে অহা বিভিন্ন চৰকাৰী বিষয়া সকলৰ পত্নীসকলেই শিক্ষাদানৰ দায়িত্ব ল'বলগীয়া হৈছিল। বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি শিক্ষক-শিক্ষয়িত্ৰী, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু স্থানীয় বিদ্যানুৰাগী সকলৰ আশাসুধীয়া প্ৰচেষ্টৰ ফলতে ১৯৮১ চনৰ ১ এপ্ৰিল তাৰিখে এই বিদ্যালয়খন প্ৰাদেশিকীকৰণ আৰু ১৯৮৭ চনৰ ৩১ নৱেম্বৰত উচ্চ মাধ্যমিক পৰ্যায়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হয় বুলি তেওঁ উল্লেখ কৰে। ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই এই বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে আয়োজন কৰা সংগীত সন্ধিয়াত গীত পৰিৱেশন কৰিছিল বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে সুদীৰ্ঘ ৫০ বছৰীয়া বৰ্ণিল ইতিহাসত বহুতো শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কেইবাগৰাকীও তদানীন্তন জিলা আয়ুক্ত, চৰকাৰী বিষয়া, শিক্ষা বিষয়াই বিদ্যালয়খনে পূৰ্ণাংগ ৰূপ লাভ কৰাত অৰিহণা আগবঢ়াই গৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সম্প্ৰতি অসমীয়া মাধ্যমৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰী সংখ্যা হ্ৰাস পোৱাটো পৰিলক্ষিত হৈছে। ইয়াৰে এক মুখ্য কাৰণ হৈছে অভিভাৱকসকলৰ ইংৰাজী শিক্ষাৰ প্ৰতি অধিক আগ্ৰহ বৃদ্ধি তথা পৰিৱৰ্তিত সময়ৰ লগত খাপখুৱাকৈ পাঠ্যক্ৰম উপলব্ধ নথকা। আনহাতে বৰাক উপত্যকাত আন এক সমস্যা হৈছে পৰ্যাপ্ত অসমীয়া ভাষীলোক নথকা। তেওঁ কয় যে দেশভক্ত তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে বৰাক উপত্যকাৰ বিভিন্ন স্থানত থকা অসমীয়া ভাষী লোকৰ সন্তানক বিদ্যালয়খনৰ প্ৰতি আকৃষ্ট কৰিবৰ বাবে ছাত্ৰাবাসৰ নিৰ্মাণ আৰু আন্তঃগাঁথনি সবলীকৰণৰ দিশত মনোযোগ দিয়াৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত বিভিন্ন পক্ষৰ সৈতে আলোচনা কৰি বিদ্যালয়খনে আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালে ৰাজ্য চৰকাৰে সেই দিশত প্ৰয়োজনীয় সহায় আগবঢ়াব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে যুৱশক্তিক উপযুক্তভাৱে গঢ়ি তোলাৰ মহান দায়িত্ব বহন কৰিছে শিক্ষানুষ্ঠানসমূহে। আনহাতে, সাম্প্ৰতিক অৰ্থনীতিত দক্ষ যুৱশক্তিৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে আৰম্ভণিৰে পৰা পৰিৱৰ্তিত ঔদ্যোগিক পৰিমণ্ডলৰ সৈতে খাপ-খুৱাকৈ দক্ষতা শিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থা শক্তিশালী কৰিবলৈ দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে টাটা টেকন'লজিছ লিমিটেডৰ সহযোগত ৰাজ্যৰ পলিটেকনিক মহাবিদ্যালয় আৰু ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক উদ্যোগৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি যুৱকসকলক প্ৰশিক্ষণ আৰু শক্তিশালী কৰাৰ বাবে উৎকৃষ্টতাৰ কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিবলৈ পদক্ষেপ লৈছে বুলি তেওঁ কয়। এই প্ৰচেষ্টাৰ লক্ষ্য হৈছে শিক্ষাৰ্থীক চতুৰ্থ ঔদ্যোগিক বিপ্লৱ সম্পৰ্কীয় নতুন প্ৰযুক্তি শিকাৰ সুযোগ প্ৰদান কৰা, যি একবিংশ শতিকাত প্ৰযুক্তি, উদ্যোগ আৰু সামাজিক শৃংখলা আৰু প্ৰক্ৰিয়াত দ্ৰুত পৰিৱৰ্তনৰ পথ প্ৰশস্ত কৰিব।




Janasanyog RO no 4941/24/21-Mar-25

# পুৰণিগুদামত বিশ্বৰ সৰ্বাধিক গ্ৰন্থৰ লেখক লেখকৰ ৰজা সাহিত্যিক ৰঞ্জু হাজৰিকালৈ সম্বৰ্ধনা

## অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিকৰ বীৰ তাপূক কৈবৰ্তৰ জীৱনী গ্ৰন্থ উন্মোচন



**পৱন শৰ্মা, নগাঁও ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ ব্যৱস্থাপনাত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত ৭০০ ৰো অধিক বিশ্বৰ সৰ্বাধিক গ্ৰন্থৰ লেখক বিশিষ্ট সাহিত্যিক, ৰহস্য সম্ৰাট, 'বিপন্ন বিস্ময় খেল' নামৰ শিশু উপন্যাসৰ বাবে ২০২৪ চনৰ শিশু সাহিত্য অকাডেমি বঁটা প্ৰাপক লেখকৰ ৰজা ৰঞ্জু হাজৰিকাক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ উপ-সভাপতি চন্দন ফুকন আৰু যুটীয়া সম্পাদক দিব্যজিত বৰাই আঁত ধৰা অনুষ্ঠানটোত শোভাবৰ্ধন কৰে পুৰণিগুদামৰ সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়ন দেৱ, পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতা, সম্পাদক হিৰণ্য কুমাৰ শৰ্মা, কাৰ্যকৰী সভাপতি প্ৰফুল্ল বৰা, বিপুল মজিন্দাৰ, জ্যোতিৰ্ময় গোস্বামী, প্ৰবীণ বৈৰাগী, শিশুবন্ধু দুলাল বৰা, যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ বিষয়ববীয়া অজয়জ্যোতি বৰুৱাকে প্ৰমুখ্যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকা, সম্পাদক মাহমুদৰ ৰহমান আঞ্চলিক সমিতিৰ খলিলুৰ ৰহমান, প্ৰাণজিত বৰা, জ্যোতি বৰা, চাজিদ হুছেইন আৰু কেইবাজনো ব্যক্তি উপস্থিত থাকি ৰঞ্জু হাজৰিকাক এখন চেলেং চাদৰ, বিহুৱান গামোচা, এটা স্মাৰক, জাপি আদিৰ লগতে এখন সম্বৰ্ধনা পত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনায়। লগতে পুৰণিগুদাম কবি সন্মিলনৰ তৰফৰ পৰাও এখন গামোচাৰে আদৰণি জনাই সভাপতি নবীন কলিতা দেৱে। অনুষ্ঠানটিৰ আৰম্ভণিতে কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি প্ৰফুল বৰাই ড° ভূপেন হাজৰিকা দেৱৰ এটি চিৰযুগমীয়া গীত পৰিৱেশন কৰে। এক চমু বক্তব্যত শ্ৰদ্ধাৰ ৰঞ্জু হাজৰিকা দেৱে কয় তেওঁ অসুস্থতাৰ বাবে অলপ সময়হে দিব পাৰিম বুলি কোৱা স্বত্বেও ইমান ডাঙৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে আয়োজক সমিতিৰ শলাগ লয় আৰু অসুস্থ দেহাৰে উপস্থিত হ'বলৈ পাই অতিশয় আনন্দিত হওঁ এই বুলি কয়। লগতে তেখেতৰ প্ৰতি দেখুওৱা আন্তৰিকতা, আগ্ৰহ, মৰমে তেওঁক অধিক উৎসাহিত আৰু প্ৰেৰণা যোগাব বুলি কয় আৰু আয়োজিত পুৰণিগুদাম আঞ্চলিক যুৱ-ছাত্ৰ পৰিষদ আৰু উপস্থিত সকলোৰে ওচৰত কৃতজ্ঞ হৈ থাকিব বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে পুৰণিগুদামৰ কবি সন্মিলনৰ সভাপতি নবীন কলিতাই ৰচনা কৰা আৰু আমাৰ সাহিত্য সভাই প্ৰকাশ কৰা ব্ৰিটিছ বিষয়াৰ মূৰত আঘাট কৰা স্বাধীনতা সংগ্ৰামী 'বীৰ তাপুক কৈৱৰ্ত' শীৰ্ষক জীৱনী গ্ৰন্থ এখন ৰঞ্জু হাজৰিকাই উন্মোচন কৰে। অনুষ্ঠানটোত জাতীয় মহিলা পৰিষদ নগাওঁ জিলাৰ সম্পাদিকা অনুৰাধা গোহাঁই, ইলোৰা বিজ্ঞান মঞ্চৰ পুৰণিগুদাম শাখাৰ সভাপতি অনিল বৈৰাগী, ইবাদত হুছেইন, নগাঁও জিলা সাহিত্য সভাৰ যুৱ পৰিষদৰ সভাপতি কবিন পাটৰ, সীমা দেৱী, নিভাৰাণী শইকীয়া আদি লোকসকলো উপস্থিত থাকে।

# বিহুতলী ন্যায় পুঁজিৰ শিল্পী সাহাৰ্যৰ বাবে আৱেদন আহ্বান


**প্ৰাঞ্জল গগৈ, দুলীয়াজান ঃ** দুলীয়াজানৰ ৰঙালী বিহু সন্মিলনৰ ঔৰষত জন্ম লাভ কৰা 'বিহুতলী' শিক্ষা আৰু শিল্পী ন্যায় পুঁজিয়ে ৩১ বছৰত ভৰি দিয়ে। বিগত ৩১ বছৰে ৰঙালী বিহু সন্মিলনৰ উদ্‌যাপন সমিতিৰ ৰাহি পুঁজিৰে গঠন হোৱা বিহুতলী ন্যাস পুঁজিয়ে অসমৰ লোক সংস্কৃতিৰ সাধক আৰু প্ৰচাৰ প্ৰসাৰত ব্ৰতী আৰ্থিকভাৱে দুৰ্বল শিল্পীক শিল্পী সাহাৰ্য প্ৰদান, শিক্ষান্ত পৰীক্ষাত দুলীয়াজান কেন্দ্ৰৰ পৰা সৰ্বোচ্চ নম্বৰ পোৱা আৰু প্ৰাথমিক বৃত্তি পোৱা ছাত্ৰ-ছাত্ৰীক এককালীন শিক্ষা বৃত্তিৰ লগতে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত দুলীয়াজান কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান কৰি আহিছে। ন্যায় সমিতিয়ে এই বছৰৰ বাবে শিল্পী সাহাৰ্য বাবে শিৱসাগৰ, চৰাইদেও, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৫০ বছৰৰ উৰ্ধৰ লোক সংস্কৃতিৰ সাধক তথা প্ৰচাৰ- প্ৰসাৰত ব্ৰতী আৰ্থিকভাৱে দুৰ্বল শিল্পীক সম্পূৰ্ণ তথ্য প্ৰমাণ-পত্ৰসহ অহা ২০ এপ্ৰিল ২০২৫ তাৰিখৰ ভিতৰত তলৰ ঠিকনাত যোগাযোগ কৰি আবেদন জনাবলৈ অনুৰোধ জনাইছে। যোগাযোগ ঠিকনা ঃ মাধৱ বুঢ়াগোহাঁই সভাপতি, বিনোদ চেতিয়া সম্পাদক, বিহুতলী ন্যাস পুঁজি, দুলীয়াজান ৯৪৩৫০-০৫৫০৪ আৰু ৯৯৫৭৮-৫০৫০৪।






# সফলতাৰ জেউতি

■ **শ্বহৰ ভানু**
দৰং জিলা



**এ**টি দৰিদ্ৰ পৰিয়ালৰ জীয়ৰী, ৰেণু। সৰুৰে পৰাই সপোন আছিল তেওঁৰ-ডাঙৰ মানুহ হোৱাৰ, উচ্চ শিক্ষাৰে নিজকে গঢ়ি তোলাৰ। মাকৰ সৈতে গাঁওখনৰ এখন সৰু কুঁৰিৰ ঘৰত আছিল তেওঁ। দেখাত গোলাপ ফুলৰ দৰে কোমল, মনত দৃঢ় সংকল্প।

তেওঁৰ মাক এগৰাকী সাধাৰণ গৃহিণী। অভাৱ-অনাটন আছিল নিত্য সংগী। সমাজৰ কিছুমান লোক ছোৱালী ইমান পঢ়াৰ প্ৰয়োজন নাই বুলি হাঁহিছিল, কথাৰে বিষাইছিল। "কেৱল চোলাটো চলাব পাৰিলেই হ'ল'। তেনেকুৱা তীৰ্যক মন্তব্য ৰেণুৰ বুকুত কাঁইটৰ দৰে বিন্ধিছিল, কিন্তু তেওঁ দমি যোৱা নাছিল। শিক্ষাৰ জেউতিৰে নিজকে আলোকিত কৰাৰ দৃঢ় সংকল্প লৈছিল। তেঁও বুজি পাইছিল শিক্ষাৰ মহত্ব। পুথিয়ে আছিল তেওঁৰ প্ৰকৃত বন্ধু; জ্ঞানেই আছিল তেওঁৰ বাতৰি; কিন্তু পৰিসৰে বিচাৰিছিল তেওঁৰ জঞ্জাল। কেতিয়াবা তেওঁৰ মাকৰ মন ভাঙি গৈছিল, ইমান কষ্ট কৰি কি কিতাপ-কলম কিনি দিব। দুমুঠি ভালদৰে খাব পাৰিলেই হ'ল। কিন্তু ৰেণু কেতিয়াও দমি যোৱা নাছিল। নিজৰ সামৰ্থ অনুযায়ী কাম কৰি গৈছিল। তেওঁ কেতিয়াবা লগৰীয়াৰে পুৰণা কিতাপৰ পৰা আৰম্ভ কৰি চকুৰে পোহৰ উলিয়াই পঢ়ি থাকিছিল। ৰেণুৰ দৃঢ়তাই মাকৰ মন সলনি কৰিলে। তেওঁৰ পঢ়াৰ প্ৰতি আগ্ৰহ আৰু দৃঢ় মনোবল দেখি মাকৰো মন সলনি হ'ল। মাকৰ দুহাতৰ ঘামৰে ৰেণুৱে শিক্ষা গ্ৰহণ কৰি আগবাঢ়িবলৈ লৈছিল। সেই কষ্ট যেন আছিল তেওঁৰ জীৱনৰ আৰম্ভণি।

দিন-ৰাতি একাকাৰ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিলে। তেওঁৰ সফলতাত গাঁওবাসীও বাহ, বাহ, দিলে। নিয়তি কেতিয়াও বোধহয় সাহসীসকলৰ সঙ্গ ত্যাগ নকৰে। এতিয়া তেওঁ চহৰৰ এখন আগশাৰী শিক্ষা অনুষ্ঠানত পঢ়ি আছে। বিদায়ৰ সময়ত মাকৰ চকুত চকুলো; কিন্তু সেই চকুলো আছিল আনন্দ, আত্মবিশ্বাসৰ আৰু সফলতাৰ। বুকুত এটা প্ৰসাদিত হাঁহি, কাৰণ তেওঁ জানিছিল, তেওঁৰ জীয়ৰীয়ে সকলো বাধা অতিক্ৰম কৰি নিজ জীৱন গঢ়িব।

জ্ঞানৰ পিয়াহয়ে যে আলোকৰ পথৰ সন্ধান দিয়ে এয়া ৰেণুৰ কষ্টৰ দ্বাৰা বাস্তৱায়িত হ'ল।






স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা